www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, NOVEMBER 14, 2024 ■ বৃহস্পতিবাৰ, ২৮ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩১১ Guwahati, Assam ।। মূল্যঃ এটকা

## জামিন পালে কুখ্যাত দুলাল বৰাই

**ই-সংবাদ, ১৩ নৱেম্বৰঃ** মুকলি আকাশৰ তললৈ ওলাই অহাৰ পথ প্ৰশস্ত হ'ল দুলাল বৰাৰ। ৪ পৃষ্ঠাত চাওক

## মুক্ত কণ্ঠ বনাম গ্ৰেপ্তাৰ

■ শোণিত কুমাৰ গোস্বামী

শাণিত কলম

মুক্ত কণ্ঠ মাননো কি সেই সম্পৰ্কত বিগত এটা দশকত যথেষ্ট চৰ্চা হৈছে। মুক্ত কণ্ঠৰ সীমাডাল শেষাংশ ২ পৃষ্ঠাত

### জিনজিয়াত গৌৰৱসহ কংগ্ৰেছৰ প্ৰতিবাদ

# ৫ সমষ্টিত ভোটগ্ৰহণ সম্পন্ন, চামগুৰিত বিক্ষিপ্ত ঘটনা, বিহালীও উত্তপ্ত



**ই-সংবাদ, গুৱাহাটী - পুৰণিগুদাম - চিৰাং, ১৩ নৱেম্বৰঃ** বুধবাৰে অসমৰ ৫ বিধানসভা সমষ্টিত অনুষ্ঠিত হয় উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ। পুৱাৰে পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ সন্ধিয়া পাঁচ বজাত আনুষ্ঠানিকভাৱে অন্ত পৰে। ৫ সমষ্টিৰ ৩টা সমষ্টিত ভোটগ্ৰহণ শান্তিপূৰ্ণ হোৱাৰ বিপৰীতে বিহালী আৰু চামগুৰিত শেষাংশ ৫ পৃষ্ঠাত



*ভোটাধিকাৰ সাব্যস্ত কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ*

### চামগুৰি, বিহালীত ৰিগিঙৰ অভিযোগ

## আয়োগক ভূপেন বৰাৰ তীব্ৰ সমালোচনা

**গুৱাহাটী, ১৩ নৱেম্বৰঃ** উপ-নিৰ্বাচনত ঠায়ে ঠায়ে শাসকীয় দলে ভোটাৰক হাৰাশাস্তি কৰাৰ লগতে ৰিগিং কৰাৰ যি অপচেষ্টা চলাইছে তাৰ তীব্ৰ বিৰোধিতা কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে। শেষাংশ ৩ পৃষ্ঠাত


## ৰোগীৰ পুত্ৰৰ প্ৰহাৰ, নিহত ডাক্তৰ

**বাংগালুৰু, ১৩ নৱেম্বৰঃ** ৰোগাক্ৰান্ত মাতৃক ভুল ঔষধ প্ৰদান কৰাৰ বাবেই চিকিৎসকক উপৰ্যুপৰি ছুৰীকাঘাত কৰি শেষাংশ ৩ পৃষ্ঠাত

### চৰকাৰ-প্ৰশাসনক বান্ধি দিলে গাইডলাইন, সুৰ সলালে যোগীয়ে

# 'বুলড'জাৰ বিচাৰ'ত নিষেধাজ্ঞা ছুপ্ৰিম ক'ৰ্টৰ

**নতুন দিল্লী, ১৩ নৱেম্বৰঃ** বুলড'জাৰ নীতিক লৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে উচ্চতম ন্যায়ালয়ে। যিকোনো অপৰাধমূলক শেষাংশ ৬ পৃষ্ঠাত



## উচ্চ ন্যায়ালয়ত আজি চুমি-তাৰ্কিকৰ জামিনৰ শুনানি

**ই-সংবাদ, ১৩ নৱেম্বৰঃ** শীঘ্ৰে মুকলি আকাশৰ তললৈ আহিব পাৰে চুমি বৰা আৰু স্বামী তাৰ্কিক বৰা। গুৱাহাটী উচ্চ শেষাংশ ৩ পৃষ্ঠাত



বঙাইগাঁৱত ভোটাধিকাৰ সাব্যস্ত সাংসদ ফণীভূষণ চৌধুৰীৰ

## আইইডি কাণ্ড, ধৃত ৩ জন

**ই-সংবাদ, শিৱসাগৰ, ১৩ নৱেম্বৰঃ** শিৱসাগৰ চহৰৰ মাজমজিয়াৰ দলৌমুখ চাৰিআলিৰ ব্যৱসায়ীক প্ৰতিষ্ঠানৰ সন্মুখৰ এজোপা গছৰ তলত কালি উদ্ধাৰ হোৱা সন্দেহজনক মোনাটোত আছিল এটা শক্তিশালী আইইডি। আৰক্ষীয়ে মাজ নিশা এয়া নিশ্চিত কৰাৰ পিছতে নিশাই দেৰগাঁৱৰ পৰা অহা বোমা বিশেষজ্ঞ দলে নিষ্ক্ৰিয় কৰে আইইডিটো। কোনো এটা নিষিদ্ধ ঘোষিত শেষাংশ ৬ পৃষ্ঠাত

## বিজ্ঞাপনক লৈ ক'চিং চেণ্টাৰক কঠোৰ নিৰ্দেশ


**নতুন দিল্লী, ১৩ নৱেম্বৰঃ** এতিয়াৰে পৰা এশ শতাংশ চাকৰি বা এশ শতাংশ বাছনিৰ দৰে গেৰেণ্টী প্ৰদান কৰিব নোৱাৰিব কোচিং চেণ্টাৰসমূহে। কোচিং চেণ্টাৰসমূহৰ ভুৱা শেষাংশ ৭ পৃষ্ঠাত

### গুৱাহাটীলৈ আহি নিশা ৰাজ্যপালক সাক্ষাৎ কংগ্ৰেছৰ

### ধনৰ বাবে টাৰ্গেট কৰে আঢ্যৱন্ত পৰিয়ালৰ মহিলাক!

# অখ্যাত সংস্থাৰ ফেশ্যন শ্ব'ক লৈ চৰ্চা

**ই-সংবাদ, ১৩ নৱেম্বৰঃ** মিছেছ ইণ্ডিয়া গেলেক্সি খিতাপৰ লৈ ৰাজ্যত ব্যাপক চৰ্চা আৰু প্ৰতিক্ৰিয়া অব্যাহত আছে। অসমৰ এগৰাকী মহিলাই



মিছেছ ইণ্ডিয়া গেলেক্সি খিতাপ ২০২৪ লাভ কৰি অসমলৈ অহাৰ পাছৰে পৰা সংবাদমাধ্যমে মহিলাগৰাকীৰ শেষাংশ ৩ পৃষ্ঠাত

## মণিপুৰত মানৱীয় সংকট!

**ই-সংবাদ, ১৩ নৱেম্বৰঃ** মণিপুৰত মানৱীয় সংকটে দেখা দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে মণিপুৰ প্ৰদেশ কংগ্ৰেছে। বিজেপি শাসিত শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুক্ত কণ্ঠ বনাম গ্ৰেপ্তাৰ

সেই সম্পৰ্কত আলোচনা-বিলোচনাৰ অন্ত নাই। আমাৰ সংবিধানত যেনেকৈ মৌলিক অধিকাৰ থকাৰ সমান্তৰালকৈ মৌলিক কৰ্তব্যও আছে সেয়া জনতাই কেতিয়াবা পাহৰি যায় নে চৰকাৰ/প্ৰশাসনে পাহৰি যায় সেয়া ধূসৰ হৈ পৰিছে। চৰকাৰীভাৱে বৃক্ষ সংৰক্ষণৰ পোষকতা কৰি থকাৰ পাছতো শেহতীয়াকৈ উন্নয়নৰ নামত বৃক্ষ কটা পৰ্বৰ প্ৰতিবাদত গুৱাহটীত দেৱাল অংকন শিল্পী মাৰ্শ্বাল বৰুৱাৰ লগতে একাধিক ব্যক্তি গ্ৰেপ্তাৰ হৈছে। চৰকাৰী পক্ষৰ অভিযোগ, শিল্পীয়ে মুখ্যমন্ত্ৰীক পোনপটীয়াকৈ গালি-শপনি দিছে, গতিকে গ্ৰেপ্তাৰ অনিবাৰ্য। ৰাজ্যত বিগত কেইটামান বৰ্ষত অসংখ্য গছ কটা হৈছে যদিও গুৱাহাটীৰ নুনমাটি-ৰিজাৰ্ভ বেংক সংযোগী উৰণসেঁতুৰ বাবে দীঘলীপুখুৰীত গছ কটাৰ আয়োজনৰ প্ৰেক্ষাপটত সৃষ্টি হোৱা প্ৰতিবাদে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ সময়ত দেৱাল শিল্পীয়ে অনুৰূপ ধৰণে ভৰলুমুখৰ প্ৰতিবাদত অংশ লৈ নিজৰ অংকনত অত্যুৎসাহী হৈ “kick Himanta, Save Nature” শীৰ্ষক বাক্যাংশ লিখি চৰকাৰ প্ৰশাসনৰ ৰোষৰ বলি হ'বলগীয়া হৈছে। এতিয়া ইয়াক লৈ চলিছে ব্যাপক চৰ্চা।

সমালোচনা গ্ৰহণ কৰি সেই সমালোচনাৰ প্ৰত্যুত্তৰ কামেৰে দিয়াৰ নিদৰ্শন লাহে লাহে হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। আমাৰ সমাজ ব্যৱস্থাত এতিয়া সমালোচনা হিংসাত্মক হোৱা পৰিলক্ষিত হৈছে। বিগত লোকসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত অনুষ্ঠিত হোৱা অসমৰ পাঁচটা সমষ্টিৰ উপনিৰ্বাচনৰ এটা সমষ্টিত এইবাৰ যথেষ্ট হিংসা দেখিবলৈ পোৱা গৈছে। চামগুৰি নামৰ সমষ্টিত দেখিবলৈ পোৱা এই ব্যাপক হিংসা উত্তৰ ভাৰতীয় ৰাজ্যৰ নিৰ্বাচনৰ প্ৰেক্ষাপটৰ সৈতে সাদৃশ্য সৃষ্টি কৰাৰ লগতে ৰাজ্যত নিৰ্বাচন ব্যক্তিবিশেষৰ উত্তৰণৰ কথা তথা সমালোচনাত্মক হিংসাৰ বিষয়টো চৰ্চালৈ আনিছে। গতিকে তেনে প্ৰেক্ষাপটত চৰকাৰৰ বিৰুদ্ধে (অভিযোগ অনুসৰি) কবিতা লিখি, নাটক লিখি, ছবি অংকন কৰি গ্ৰেপ্তাৰ হ'বলগীয়া বিষয়টো ভাৰতীয় গণতন্ত্ৰত এক নতুন অধ্যায় হিচাপে বিবেচিত হৈছে। শেহতীয়াকৈ গছ বা পৰিৱেশ বিষয়ক সজাগতাৰ বাবে শিল্পী গ্ৰেপ্তাৰ হোৱা বিষয়টো চিন্তনীয় বুলি চৰ্চিত হৈছে।

বিশ্বৰ ইতিহাসত আমি এনেধৰণৰ অসংখ্য উদাহৰণ পাওঁ যিবোৰে এই কথা স্পষ্ট কৰে যে শিল্পীৰ মুক্ত কণ্ঠত কেতিয়াবা কেতিয়াবা চৰকাৰ খৰ্গহস্ত হৈ পৰিছে। পুৰণি উদাহৰণলৈ নগৈ এই ক্ষেত্ৰত কেইটামান নতুন ঘটনা আপোনালোকৰ চৰ্চালৈ আনিছোঁ।

ইৰাণৰ এগৰাকী শিল্পীৰ নাম হৈছে জাৰা এছমেইলী। এইগৰাকী শিল্পীক এই বৰ্ষত ইৰাণ চৰকাৰে গ্ৰেপ্তাৰ কৰিছে, কিয়নো তেওঁ হিজাব পৰিধান নকৰাকৈ ৰাজহুৱা স্থানত গীত পৰিৱেশন কৰে। ১৯৭৯ ইছলামিক বিপ্লৱৰ পাছত দেশত কট্টৰ ইছলামিক শাসন থকাৰ প্ৰেক্ষাপটত শেহতীয়াকৈ সেই দেশৰ চৰকাৰ বিশেষভাৱে ক্ষোভিত হৈ একাধিক শিল্পীৰ (বিশেষত মহিলা) বিৰুদ্ধে গ্ৰেপ্তাৰসূচক শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। এই বৰ্ষত গ্ৰেপ্তাৰ হোৱা জাৰা এছমেইলিৰ শেহতীয়া উপস্থিতি বিচাৰি এতিয়াও পৰিয়ালৰ লোকে হাহাকাৰ কৰি আছে।

চীন দেশৰ অন্যতম শিল্পী হৈছে ‘গাৱ’ (GAO) ভ্ৰাতৃদ্বয়। মাওবাদ বা চৰকাৰৰ সমালোচনাত থকা এই ভ্ৰাতৃদ্বয় চীন চৰকাৰৰ ৰোষত পৰিছে। শেহতীয়া এজন আমেৰিকা যুক্তৰাষ্ট্ৰলৈ পলায়ন কৰিবলৈ সক্ষম হৈছে যদিও অন্য এজন ভ্ৰাতৃ ‘গাৱ জেন’ বৰ্তমান চীন আৰক্ষীৰ জিম্মাত। এই কথা তেওঁৰ ভ্ৰাতৃ গাৱ কিয়াঙে আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰিছে। গাৱ কিয়াঙে উল্লেখ কৰা মতে তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃৰ দোষ এটাই, আৰু সেয়া হৈছে দেশৰ চৰকাৰৰ সমালোচনা।

পাকিস্তান আৰু বাংলাদেশত চৰকাৰৰ সমালোচনা কৰা ব্যক্তি কোন সময়ত গ্ৰেপ্তাৰ হয় বা নিৰুদ্দেশ হয়, সেই কথা এতিয়া সমগ্ৰ আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমত চৰ্চাৰ বিষয়। বাংলাদেশত শেহতীয়াকৈ শ্বেখ হাছিনাৰ চৰকাৰৰ পতনৰ প্ৰাক আৰু পাছৰ সময়খিনিত চৰকাৰী ব্যৱস্থা সমালোচনাৰ প্ৰতি যথেষ্ট ভীতিগ্ৰস্ত হৈ পৰিছে।

আফ্ৰিকা মহাদেশৰ ৰাষ্ট্ৰ কেনিয়াৰ এগৰাকী ব্ল'গাৰৰ নাম হৈছে ফ্ৰান্সিছ গাইঠো। কেনিয়াৰ ৰাষ্ট্ৰপতি উইলিয়াম ৰ'তোৰ শাসন ব্যৱস্থাক লৈ সমালোচনাত মুখৰ গাইঠো শেহতীয়াকৈ দেশখনত অন্তৰ্ধান হৈছে। তেওঁক লৈ দেশত #FreeGaitho আৰম্ভ হৈছে কিন্তু সমালোচনাত্মক গাইঠোৰ হে খবৰ কোনেও লাভ কৰা নাই। অৱশ্যে দেশখনত ৰ'তোৰ সমালোচনাত্মক অনেক গ্ৰেপ্তাৰৰ সম্মুখীন হৈ আহিছে।

অসমৰ দেৱাল অংকন শিল্পী নীলিম মহন্ত আৰু অৰুণাচলস্থিত অধিৰক্তা ই মিলিক শিল্পৰ মাধ্যমত নদীবান্ধৰ বিৰোধিতাৰ বাবে অৰুণাচল প্ৰদেশ আৰক্ষীয়ে আটক কৰিছিল।

এই নিবন্ধত কেইটামান মাত্ৰ উদাহৰণহে দিয়া হৈছে, শেহতীয়া বিশ্বত এনে অনেক ঘটনা ঘটি আছে যিবোৰে স্পষ্টত এই কথাটো প্ৰতিপন্ন কৰিছে যে বৰ্তমান সমালোচনা সহ্যসীমাৰ বাহিৰত। গতিকে আপুনি-মই কোনেও চৰকাৰ, প্ৰশাসন কিম্বা দায়িত্বত থকা ব্যক্তিক সমালোচনা কৰিব নোৱাৰোঁ।

চৰকাৰ হৈছে ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ, গতিকে চৰকাৰে যি ভাবিছে সেয়া শুদ্ধ বুলি মানি লোৱাৰ বাহিৰে আমাৰ হাতত গত্যন্তৰ নাই।

**(লেখকৰ ফোনঃ ৯৮৯৯৬৬০৫৮২)**



*ছিদলী সমষ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰৰ দৃশ্য, বুধবাৰে*

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আয়োগক ভূপেন বৰাৰ তীব্ৰ সমালোচনা

এক বিবৃতিত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত এক স্বৈৰাচাৰী শাসন চলিছে আৰু তাৰ অংশ হিচাপে বিহালী আৰু চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনত ভোটাৰক ভাবুকি প্ৰদান কৰা আৰু ৰিগিং কৰাৰ অভিযোগ আহিছে। এনে অভিযোগৰ সত্যাসত্যতা বিচাৰ কৰিবলৈ নিৰ্বাচন আয়োগৰ ওচৰত দাবী জনাই বৰাই কয় যে বিহালী সমষ্টিৰ গাংমৌ এলেকাত সাংসদ ৰঞ্জিৎ দত্তই ভোটাৰক দাবী-ধমকি দিছে। একেদৰে চামগুৰি সমষ্টিৰ কেবাটাও ভোটগ্ৰহণ কেন্দ্ৰত ভোটাৰক ভয়-ভাবুকি প্ৰদান কৰাৰ লগতে ৰিগিং কৰাৰ অপচেষ্টা চলাইছে। বৰাই কয়, চামগুৰিৰ ১০টা ভোটগ্ৰহণ কেন্দ্ৰত ব্যাপক হাৰত অনিয়মৰ অভিযোগ উঠিছে। সমষ্টিটোৰ ৬নং ভগামুখ মোক্তাব স্কুল, ৫নং ভগামুখ মোক্তাব স্কুল, ৬নং পশ্চিম শালপাৰা মোক্তাব স্কুল, ৪০নং পুঠিখাইতি প্ৰাথমিক বিদ্যালয় কেন্দ্ৰ, ৪১ নং পুঠিখাইতি পশ্চিম খণ্ড, ৮৮নং কুশল কোঁৱৰ বালিকা প্ৰাথমিক বিদ্যালয় কেন্দ্ৰ, ৮৯নং শ'লমাৰী মোক্তাব স্কুল কেন্দ্ৰ, ৯০ নম্বৰ শ'লমাৰী পশ্চিম মোক্তাব স্কুল, ১৮১নং লাইলুৰি মোক্তাব স্কুল কেন্দ্ৰ, ১৮২ আৰু ১১৬নং লাইলুৰি মোক্তাব স্কুল পশ্চিম কেন্দ্ৰত ৰিগিং হোৱাৰ অভিযোগ আহিছে। বিষয়টো নিৰ্বাচন আয়োগে গুৰুত্বসহকাৰে লৈ পৰ্যালোচনা কৰিব লাগে বুলি উল্লেখ কৰি বৰাই কয় যে আমি আৰম্ভণিৰে পৰা এই দুটা সমষ্টিত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত নহ'ব বুলি আশংকা কৰি আহিছিলো। সেইবাবে উক্ত সমষ্টিকেইটাত স্পৰ্শকাতৰ এলেকা হিচাপে গণ্য কৰি ভোটকেন্দ্ৰসমূহত পৰ্যাপ্ত পৰিমাণৰ চিচিটিভি আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰিবলৈ নিৰ্বাচন আয়োগক অনুৰোধ জনাইছিলো। কিন্তু চৰকাৰৰ হাতৰ পুতলা হৈ পৰা নিৰ্বাচন আয়োগে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ নকৰাৰ এক দৃষ্টান্ত ৰাখিলে। প্ৰয়োজন হ'লে চিচিটিভি ফুটেজ পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈকো বৰাই দাবী জনায় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উচ্চ ন্যায়ালয়ত আজি চুমি-তাৰ্কিকৰ

ন্যায়ালয়ত বৃহস্পতিবাৰে চুমি বৰা আৰু চুমিৰ স্বামী তাৰ্কিক বৰাৰ জামিনক লৈ শুনানিক অনুষ্ঠিত হ'ব। চুমি আৰু তাৰ্কিক মুকলি আকাশৰ তললৈ আহিব নে নাই তাকে লৈ কাইলৈ ৰায় দিব। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চপা চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাৰ অধিবক্তাই জামিন আবেদন কৰাত কাইলৈ জামিনক লৈ শুনানি অনুষ্ঠিত হ'ব। গুৱাহাটী উচ্চ ন্যায়ালয়ত চুমি বৰা আৰু স্বামী তাৰ্কিক বৰাক জামিন প্ৰদান কৰিলে মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত হ'ব। উচ্চ ন্যায়ালয়ে ১৪ নৱেম্বৰত গোচৰৰ ডায়েৰী দাখিল কৰিবলৈ চিবিআইক নিৰ্দেশ দিছিল আৰু উক্ত দিনাই জামিনৰ শুনানিৰ দিন ধাৰ্য কৰা হৈছে। ইপিনে আজি পুনৰ আদালতত হাজিৰ কৰোৱা হৈছিল চুমি বৰা, স্বামী তাৰ্কিক বৰা আৰু পাতি লোৱা ভাতৃ বিশাল ফুকনক। চিবিআই আদালতত হাজিৰ কৰোৱা হয়। ইতিমধ্যে চুমি বৰাৰ দেওৰ তথা তাৰ্কিকৰ ভাতৃ অম্লান বৰা আৰু আন এজন ট্ৰেডিং কেলেংকাৰীৰ নায়ক ৰঞ্জিত কাকতিয়ে জামিন লাভ কৰিছে। অম্লান বৰা, ৰঞ্জিত কাকতিৰ দৰেই চুমি, তাৰ্কিক আৰু বিশালেও জামিন লাভ কৰিব পাৰে। কিয়নো চুমি বৰা, স্বামী তাৰ্কিক বৰা, বিশাল ফুকনৰ সৈতে একেই গোচৰত অম্লান বৰা, ৰঞ্জিত কাকতিক গ্ৰেপ্তাৰ কৰিছিল আৰক্ষীয়ে। আইনী সুৰুঙাৰে মুকলি আকাশৰ তললৈ আহিছে ইজনৰ পিছত সিজন প্ৰৱঞ্চক। ট্ৰেডিং কেলেংকাৰীত ৮ অভিযুক্তক ২৫ অক্টোবৰত ডিব্ৰুগড় আৰক্ষীয়ে এখন ট্ৰেভেলাৰেৰে গুৱাহাটীলৈ লৈ আহিছিল। ইয়াৰ পিছতে অভিযুক্ত চুমি বৰা, তাৰ্কিক বৰা, বিশাল ফুকন, অম্লান বৰা, ৰণজিৎ কাকতি, অভিজিৎ ছন্দ, শোভনজ্যোতি কুৰ্মী আৰু চন্দন নাথক ডিব্ৰুগড়ৰ পৰাৰ আনি ২৬ এপ্ৰিলত গুৱাহাটীৰ আদালতত হাজিৰ কৰোৱা হৈছিল। গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰৰ আলহী হৈ থকা চুমি বৰা, স্বামী তাৰ্কিক বৰা, পাতি লোৱা ভায়েক বিশাল ফুকনসহ ট্ৰেডিং কেলেংকাৰীৰ জড়িত বৰ্তমান মুঠ ৬ কয়দীক গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰাত ন্যায়িক জিম্মাত আছে। ডিব্ৰুগড় সদৰ আৰক্ষী থানাত ৰুজু ৩৫২/২৪, ৩৫৪/২৪ নম্বৰ গোচৰ আৰু বৰবৰুৱা আৰক্ষী থানাত ৰুজু ৮৫/২৪ গোচৰত তদন্তৰ দায়িত্ব চিবিআইকো অৰ্পণ কৰিছে ৰাজ্য চৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰোগীৰ পুত্ৰৰ প্ৰহাৰ, নিহত ডাক্তৰ

হত্যা কৰে পুত্ৰই। এই চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে চেন্নাইৰ এখন হাস্পতালত। জানিব পৰা মতে, কৰ্কট ৰোগত আক্ৰান্ত মাতৃক চিকিৎসকে ভুল ঔষধ প্ৰদান কৰাৰ পিছত সেই ঔষধ সেৱন কৰি অধিক অসুস্থ হৈ পৰিছিল মাতৃ। এই বিষয়ে পুত্ৰই গম পোৱাৰ পিছতে চেন্নাইৰ কলিনাৰ চেন্টেনাৰী হাস্পতালৰ অ'পিডি বিভাগত উপস্থিত হৈ ছুৰীৰে আক্ৰমণ চলায় চিকিৎসকগৰাকীৰ ওপৰত। এই ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা চিকিৎসকগৰাকী বৰ্তমান আই চি ইউত চিকিৎসাধীন হৈ আছে। ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে অভিযুক্তজনক। লক্ষণীয় যে, বংগৰ আৰ জি কৰ কাণ্ডৰ পিছত চিকিৎসক আৰু চিকিৎসাকৰ্মীৰ নিৰাপত্তাক লৈ সৰৱ হৈ আছে কনিষ্ঠ চিকিৎসকল। এই বিষয়টো উচ্চতম ন্যায়ালয়ৰ দাৰস্থ হোৱাত ইতিমধ্যে ন্যায়ালয়ৰ নিৰ্দেশত চিকিৎসক-নাৰ্ছৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা টাস্ক ফ'ৰ্চো গঠন কৰা হৈছে। কিন্তু ইয়াৰ মাজতে চেন্নাইত সংঘটিত এই আক্ৰমণৰ ঘটনাই পুনৰ এবাৰ প্ৰশ্ন উত্থাপন কৰিছে চিকিৎসক-চিকিৎসাকৰ্মীৰ সুৰক্ষাক লৈ। চিকিৎসালয়ৰ সূত্ৰ অনুসৰি আক্ৰমণত আঘাতপ্ৰাপ্ত চিকিৎসকগৰাকী নিজেই এগৰাকী হৃদৰোগী। তেওঁৰ বুকুত পেচমেকাৰ লগোৱা আছে।বৰ্তমান আই চি ইউত ভৰ্তি হৈ থকা চিকিৎসকগৰাকীৰ স্বাস্থ্যক লৈ উদ্বেগ ব্যক্ত কৰে চিকিৎসালয়খনৰ সঞ্চালক এল পাৰ্থসাৰথীয়ে। আনহাতে তামিলনাডুৰ স্বাস্থ্যমন্ত্ৰী মা সুব্ৰহ্মণ্যমে কয় যে বৰ্তমান চিকিৎসকগৰাকীৰ স্বাস্থ্য সুস্থিৰ হৈছে। অৱশ্যে সমগ্ৰ ঘটনাটোত চিকিৎসালয়খনৰ নিৰাপত্তাত গাফিলতিৰ অভিযোগ খণ্ডন কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। অন্যহাতে চিকিৎসকৰ ওপৰত সংঘটিত এই আক্ৰমণৰ পিছতে ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে। লগতে ভৱিষ্যতে যাতে এনে ঘটনা সংঘটিত নহয়, সেয়া নিশ্চিত কৰা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয়, "চিকিৎসকে আগবঢ়োৱা সেৱা অতি গুৰুত্বপূৰ্ণ। তেওঁলোকৰ সুৰক্ষা নিশ্চিত কৰাটো আমাৰ দায়িত্ব। ভৱিষ্যতে যাতে এনে ঘটনা সংঘটিত নহয় তাৰ বাবে নিশ্চিত কৰা হ'ব।" চিকিৎসালয়ৰ সূত্ৰ অনুসৰি অভিযুক্ত যুৱকজনৰ মাতৃ কৰ্কট ৰোগত আক্ৰান্ত হৈ যোৱা মে' মাহৰ পৰা চিকিৎসালয়ত ভৰ্তি হৈ আছে। মাতৃৰ শাৰীৰিক অৱস্থা অধিক বেয়া হোৱাৰ কথা শুনি বুধবাৰে তিনি বন্ধুৰ সৈতে চিকিৎসালয়লৈ গৈছিল যুৱকজনে। প্ৰত্যক্ষদৰ্শীৰ মতে, তেওঁ ৰিচেপচনৰ পৰা স্লিপ লৈ মাকৰ কোঠালৈ গৈ মাকৰ ডাক্তৰক লগ কৰিবলৈ গৈছিল। অভিযোগ অনুসৰি অভিযুক্ত যুৱকজনে তাত চিকিৎসকজনক আক্ৰমণ কৰে। সেই ঘটনাৰ পিছত তেওঁ চিকিৎসালয়ৰ পৰা পলাবলৈ চেষ্টা কৰে যদিও চিকিৎসালয়খনৰ কৰ্মচাৰীয়ে অভিযুক্তক আটক কৰি পিছত আৰক্ষীক গতাই দিয়ে। ইফালে, সমগ্ৰ ঘটনাক তীব্ৰ গৰিহণা দি চিকিৎসালয়খনত আংশিক ধৰ্মঘটৰ আহ্বান জনাইছে চিকিৎসক সন্থাই। অৱশ্যে এই ধৰ্মঘটৰ সময়ত জৰুৰীকালীন বিভাগ খোলা থাকিব বুলি জানিবলৈ দিয়ে চিকিৎসক সন্থাই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত মানৱীয় সংকট!

ৰাজ্যখনক ১৭ মাহ ধৰি অব্যাহত থকা সাম্প্ৰদায়িক হিংসাৰ ঘটনা কিছু কমিছিল যদিও পুনৰ বিগত এটা সপ্তাহত ভয়াবহ পৰিৱেশৰ সূচনা হোৱাত আতংকই বিৰাজ কৰা মণিপুৰত মানৱীয় সংকটে দেখা দিয়াৰ গুৰুতৰ অভিযোগ আনিছে মণিপুৰ প্ৰদেশ কংগ্ৰেছে। মণিপুৰ পুনৰ উত্তেজনা অব্যাহত থকাৰ সময়তে মণিপুৰ কংগ্ৰেছৰ এটা সজাতি দলে আজি নিশা অসম-মণিপুৰৰ ৰাজ্যপাল লক্ষ্মণ আচাৰ্যক গুৱাহাটীৰ ৰাজভৱনত সাক্ষাৎ কৰি এখন স্মাৰক পত্ৰ প্ৰদান কৰে। চিভিল চ'ছাইটিয়ে ২৪ ঘণ্টীয়া মণিপুৰ বন্ধ দিয়াৰ সময়তে মণিপুৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি কৈছাম মেঘচন্দ্ৰ সিং, বিৰোধী দলপতি অকৰাম ইবৰি সিংসহ ছয়গৰাকী বিধায়কে ৰাজ্যপালক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰ যোগে অনতি বিলম্বে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যপালক হস্তক্ষেপ দাবী জনাই কংগ্ৰেছৰ প্ৰতিনিধি দলটোৱে। শেহতীয়াকৈ জিৰিবাম জিলাত ১১ বিদ্ৰোহী নিহত হোৱাৰ লগতে শিশু-মহিলাসহ ৬ গৰাকীকৈ লোকক অপহৰণ কৰিছে বিদ্ৰোহীয়ে। জিৰিবাম জিলাৰ কেঁচুৱা-শিশু-মহিলাসহ ৬ গৰাকীকৈ লোকক অপহৰণ কাণ্ডৰ কথা স্মাৰকত উল্লেখ কৰি কংগ্ৰেছে কয় যে জিৰিবাম জিলাত বহু মানুহৰ প্ৰাণ গৈছে। ইয়াৰ মাজতে ১০ মহীয়া কেঁচুৱা, আঢ়ৈ বছৰীয়া শিশুসহ ছয়গৰাকী মহিলাক অপহৰণ কৰাৰ ৪৮ ঘণ্টাৰ পিছতো শুংসূত্ৰ উদ্ধাৰ কৰিব পৰা নাই। কংগ্ৰেছে তীব্ৰ ক্ষোভ ব্যক্ত কৰি কেঁচুৱাসহ ছয়গৰাকী লোকক শীঘ্ৰে মুকলি কৰি আনিবলৈ দাবী জনাইছে। অস্ত্ৰধাৰী কব্জাৰ পৰা শীঘ্ৰে উক্ত লোককেইজনক উদ্ধাৰৰ বাবে অভিযান চলোৱাৰ লগতে ৰাজ্যপালক পৰিস্থিতি নিয়ন্ত্ৰণত হস্তক্ষেপ কৰিবলৈ দাবী জনায়। লগতে মণিপুৰৰ কেঁচুৱা, শিশু, মাতৃক সুৰক্ষা দিবৰ বাবে অতিৰিক্ত বাহিনী নিয়োগ কৰিবলৈ দাবী উত্থাপন কৰিছে কংগ্ৰেছে। আনহাতে, মণিপুৰৰ নাগৰিক সমাজে চৰকাৰক সাত দিনৰ সময়সীমা বান্ধি দি ৰাজ্যখনত সংঘৰ্ষ ৰোধৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। ৰাষ্ট্ৰীয় ৰাজনৈতিক দলসমূহৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিবলৈ স্থানীয় ৰাজনৈতিক দলৰ নেতাসকলক ৭ দিনৰ সময়সীমা বান্ধি দিছে। অন্যথাই ৰাজনৈতিক বয়কট কৰাৰ সিদ্ধান্ত লয়। দাবী পূৰণ নকৰিলে গণ আন্দোলন আৰম্ভ কৰাৰ ভাবুকি দিছে ১৩টা সংগঠনে। সংগঠনৰ প্ৰতিনিধিসকলে মণিপুৰৰ ৰাজ্যপালক এখন স্মাৰকপত্ৰ প্ৰদান কৰি ছয়টা গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰিছে। ১৩টা সংগঠন সতৰ্ক কৰি দি কয় যে এসপ্তাহৰ ভিতৰত দাবীবোৰক লৈ কাম কৰক। দাবী পূৰণ কৰাত ব্যৰ্থ হ'লে ৰাজনৈতিক নেতাসকলৰ পৰা সমৰ্থন প্ৰত্যাহাৰ হ'ব। মণিপুৰৰ জনসাধাৰণৰ বৰ্ধিত হতাশাৰ কথা উল্লেখ কৰি যিসকলে অনুভৱ কৰে যে ৰাষ্ট্ৰীয় দলসমূহে ৰাজ্যখনৰ নিৰাপত্তা আৰু কল্যাণৰ প্ৰতি দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই। মণিপুৰৰ বৰ্তমানৰ সংকট, জাতিগত হিংসা, নিয়ন্ত্ৰণহীন উগ্ৰপন্থী কাৰ্যকলাপ, আৰু আইন-শৃংখলাৰ অৱনতি ৰোধৰ ব্যৱস্থা কৰক চৰকাৰে। ১২ নৱেম্বৰৰ সন্ধিয়া ৬ বজাৰ পৰা ১৩ নৱেম্বৰৰ সন্ধিয়া ৬ বজালৈ মণিপুৰত নিমাওমাও পৰিৱেশ দেখা গৈছে। দোকান-পোহাৰ, যান-বাহনৰ চলাচল বন্ধ থাকে। জৰুৰী ব্যৱস্থাৰ বাহিৰে সম্পূৰ্ণ জৰজীৱন স্তব্ধ হৈ পৰিছে সমগ্ৰ মণিপুৰত। ১৩ নাগৰিক সংগঠনে ২৪ ঘণ্টীয়া মণিপুৰ ৰাজ্য বন্ধৰ ঘোষণা কৰিছিল। কেঁচুৱাসহ ৬গৰাকী লোকক অপহৰণৰ পাছতে সমগ্ৰ মণিপুৰ ৰাজ্য বন্ধ ঘোষণা কৰিছিল। সন্দেহযুক্ত উগ্ৰপন্থীয়ে ৰাজ্যখনৰ জিৰিবাম জিলাৰ বড়োবেক্ৰা আৰক্ষী থানাত আক্ৰমণ কৰাৰ কিছুসময় পাছতে এক কেঁচুৱা, এটা শিশু, এক কিশোৰী আৰু তিনি মহিলাসহ ছয়গৰাকী লোকক অপহৰণ কৰিছে। উগ্ৰপন্থীৰ দলটোৱে আৰক্ষী থানাত আক্ৰমণৰ পাছতে কেঁচুৱা-শিশুসহ ছয়গৰাকী মহিলা নিৰুদ্দেশ হয়। বিভিন্ন অঞ্চলত সশস্ত্ৰ কুকি উগ্ৰপন্থীয়ে নিৰ্মম আক্ৰমণ, হত্যাকাণ্ড, অপহৰণ কাণ্ড সংঘটিত কৰাত আৰু চৰকাৰে হিংসা বন্ধ কৰাত বিফল হোৱাৰ অভিযোগত ২৪ ঘণ্টীয়া বন্ধ ঘোষণা কৰিছিল। ইণ্টাৰনেচনেল পিচ এণ্ড ছ'চিয়েল এডাভচমেণ্ট, পিপলছ একচন ফৰ নেচনেল ডেমক্ৰেটিক মুভমেণ্ট, আৰু কাংলেইপাক লামজিং অপুনবা মীৰা পাইবি লুপকে ধৰি একডজন সংগঠনে হিংসাৰ মোকাবিলা কৰাত ৰাজ্য চৰকাৰ বিফল হৈছে বুলি কৈ আৰু ক্ষতিগ্ৰস্ত সম্প্ৰদায়সমূহৰ সুৰক্ষা নিশ্চিত কৰিবলৈ তাৎক্ষণিক ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। জিৰিবামৰ মেইটেই সংস্থা জিৰি অপুনবা লুপে দাবী কৰা মতে, সন্ধানহীন হোৱা ছয়জন ব্যক্তি একেটা পৰিয়ালৰ। তেওঁলোক হৈছে যুমৰেম্বাম ৰাণী দেৱী (৬০), তেলেম থইবি দেৱী (৩১) তেওঁৰ জীয়ৰী তেলেম থাজামানবি দেৱী (৮), লাইশ্ৰাম হেইথোইবি দেৱী (২৫) আৰু তেওঁৰ দুই সন্তান লাইশ্ৰাম চিংখেইঙানবা সিং (আঢ়ৈ বছৰীয়া) আৰু লাইশ্ৰাম লামংবা সিং (১০ মাহ)। ১১ উগ্ৰপন্থী নিহত হোৱাৰ পাছতে অপহৰণ কাণ্ড সংঘটিত হৈছে। সাম্প্ৰদায়িক হিংসাত জৰ্জৰিত মণিপুৰত জিৰিবাম জিলাৰ চিআৰপিএফৰ এটা শিবিৰত আক্ৰমণ কৰিছিল কুকি উগ্ৰপন্থীয়ে। দুয়োপক্ষৰ মাজত হোৱা যুঁজত ১১ কুকি উগ্ৰপন্থী নিহত হয় আৰু চিআৰপিএফৰ এজন জোৱান আহত হৈছিল। সোমবাৰে প্ৰথমে জিৰিবাম জিলাৰ বড়োবেক্ৰা অঞ্চলৰ উগ্ৰপন্থীয়ে বহু আৱাস গৃহত অগ্নিসংযোগ কৰি বড়োবেক্ৰা আৰক্ষী থানাক লক্ষ্য কৰি লয়। সন্দেহযুক্ত কুকি উগ্ৰপন্থী সংগঠনে চিআৰপিএফ শিবিৰত আক্ৰমণৰ চেষ্টা চলোৱাত দুয়োপক্ষৰ সংঘৰ্ষত ১১ উগ্ৰপন্থী নিহত হৈছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জামিন পালে কুখ্যাত দুলাল বৰাই

কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা দুলাল বৰাই আজিয়েই মুকলি আকাশৰ তললৈ ওলাই আহিব পাৰে। বিতৰ্কিত আৰটিআই কৰ্মী দুলাল বৰাক জামিন প্ৰদান কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। দুলাল বৰাক ২৫ ছেপ্টেম্বৰত নতুন দিল্লীত কীৰ্তিনগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰ পিছতে গুৱাহাটীলৈ আনি চৰাইদেউ আৰক্ষীয়ে জিম্মাত লৈ সোধ-পোছ কৰিছিল। আৰক্ষীৰ জিম্মাৰ অন্তত ন্যায়িক জিম্মাত থকা বৰাৰ অধিবক্তাই গুৱাহাটী উচ্চ ন্যায়ালয়ত জামিন আবেদন কৰিছিল। জামিন আবেদনৰ ভিত্তিত আজি উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰিছে। জামিনৰ সৈতে কেইটামান স্বৰ্ত বান্ধি দিয়া বুলি জানিব পৰা গৈছে। সোণাৰিৰ বিজেপি নেতাৰ আত্মহনন কাণ্ডত নাম সাঙুৰ খোৱাত আৰটিআই কৰ্মী দুলাল বৰাক গ্ৰেপ্তাৰ কৰা হৈছিল। চৰাইদেউ জিলাৰ সোণাৰিৰ বিজেপি নেতা তথা পঞ্চায়ত সভাপতি দেৱজিৎ হাজৰিকাৰ আত্মহনন কাণ্ডৰ সৈতে সাঙোৰ খাইছিল দুলাল বৰাৰ নাম। দুলাল বৰাৰ লগতে কেইজনমান সাংবাদিকৰ নাম উল্লেখ কৰি আত্মহনন কৰিছিল দেৱজিৎ হাজৰিকাই। দুলাল বৰাই ব্লেকমেইল কৰাৰ কথা উল্লেখ কৰি গৈছিল বিজেপি নেতাগৰাকীয়ে। প্ৰথম অৱস্থাত দুলাল বৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা নাছিল যদিও চৰাইদেউ জিলাৰ কেইবা হাজাৰ বিজেপি কৰ্মীয়ে বিজেপি ত্যাগ কৰাৰ হুংকাৰ দিয়াত মুখ্যমন্ত্ৰীয়ে দুলাল বৰাক লৈ প্ৰতিক্ৰিয়া প্ৰদান কৰি গ্ৰেপ্তাৰৰ নিৰ্দেশ দিছিল। প্ৰয়াত বিজেপি নেতা দেৱজিৎ হাজৰিকাৰ পত্নীয়ে সোণাৰী আৰক্ষী থানাত দাখিল কৰা এজাহাৰত আৰটিআই কৰ্মী, সাংবাদিক আৰু প্ৰাক্তন খণ্ড উন্নয়ন বিষয়াৰ নাম উল্লেখ কৰি এজাহাৰ দাখিল কৰিছিল। আত্মহত্যাৰ কাৰণ এখন নোটত লিখি থৈ গৈছিল হাজৰিকাই। তাৰ পাছতে প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া ৰঞ্জিত বৰগোহাঁই আৰু সাংবাদিক পৰিস্মিকা ফুকনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। গ্ৰেপ্তাৰৰ পূৰ্বেই এজাহাৰত নাম থকা সাংবাদিক ৰফিক আহমেদে জামিন লয়। সোণাৰি নগৰৰ সমীপৱৰ্তী ন-কছাৰী গাঁৱৰ পঞ্চায়ত সভাপতি দেৱজিৎ হাজৰিকাৰ মৃতদেহ ৰজাপুখুৰী পঞ্চায়তৰ ৰংগমঞ্চত উদ্ধাৰ হৈছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৫ সমষ্টিত ভোটগ্ৰহণ সম্পন্ন, চামগুৰিত

সংঘটিত হয় একাধিক বিক্ষিপ্ত ঘটনা। চামগুৰিত ব্যাপক ৰিগিং আৰু ভয়-ভাবুকি প্ৰদানৰ অভিযোগ-প্ৰতিভিযোগ উত্থাপিত হৈছে। আনহাতে বিহালীৰ জিনজিয়াত চৰাইদেউ জিলা কংগ্ৰেছৰ নেতা উৎপল গগৈক আটক কৰাক লৈ নিশাৰ ভাগত পৰিস্থিতি উত্তপ্ত হৈ পৰে। বিহালীত ভোটগ্ৰহণৰ পূৰ্বৰে পৰা কংগ্ৰেছৰ নেতা-কৰ্মীক আৰক্ষী-প্ৰশসানে টাৰ্গেট কৰি লোৱাৰ অভিযোগৰ মাজতে আজি উজনি অসমৰ এগৰাকী কংগ্ৰেছ নেতাক আটক কৰাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চৰাইদেউ জিলা কংগ্ৰেছৰ সভাপতি উৎপল গগৈক বিহালীৰ জিনজিয়াত জিনজিয়া আৰক্ষীয়ে আটক কৰিছে। জানিব পৰা মতে, এটা ভোট কেন্দ্ৰৰ পৰা প্ৰায় ২০০ মিটাৰ নিলগত থকাৰ সময়তে উৎপল গগৈক আৰক্ষীয়ে আটক কৰিছিল। আৰক্ষীয়ে অন্য জিলাৰ নেতাই ভোটগ্ৰহণ কেন্দ্ৰৰ সমীপত থকাৰ সময়তে আটক কৰি আৰক্ষী থানাত নিশা পৰ্যন্ত বহুৱাই ৰাখে। উৎপল গগৈ যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ অতি ঘনিষ্ঠ। প্ৰদেশ কংগ্ৰেছে বিহালীত নিৰ্বাচনৰ প্ৰচাৰৰ দায়িত্ব গৌৰৱ গগৈক প্ৰদান কৰা হৈছে। যাৰ বাবে বিহালীত গৌৰৱ গগৈৰ সৈতে বাহৰ পাতি আছিল উৎপল গগৈ। উৎপল গগৈক গ্ৰেপ্তাৰৰ খবৰ পোৱাৰ পাছতে জিনজিয়া আৰক্ষী থানাত উপস্থিত হয় গৌৰৱ গগৈ। গৌৰৱ গগৈয়ে আৰক্ষী থানাৰ ভিতৰত বহি উৎপল গগৈক মুক্তি দিয়াৰ দাবী জনাই থানাৰ ভিতৰতে৭ ঘণ্টা সময় অতিবাহিত কৰে। ইপিনে বিজেপিয়ে চৰাইদেউৰ কংগ্ৰেছ নেতাই বিহালীত ভোটগণনাৰ দিনটোত প্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপন কৰিছে। বিহালীৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ ভোটগ্ৰহণৰ দিনটোত চৰাইদেউ জিলা কংগ্ৰেছৰ সভাপতি উৎপল গগৈয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ অভিযোগ আনি কংগ্ৰেছক সমালোচনা কৰিছে বিজেপিয়ে। নিশা প্ৰায় ১০ বজালৈকে উৎপল গগৈক মুক্তি নিদিয়াত কেইবা শতাধিক লোকে জিনজিয়া আৰক্ষী থানা ঘেৰাও কৰে। গৌৰৱ গগৈ আৰক্ষী থানাৰ ভিতৰত বহি থকাৰ সময়তে শ-শ কংগ্ৰেছী থানাৰ বাহিৰত সমৱেত হয়। কংগ্ৰেছীয়ে বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। আৰক্ষীয়ে উৎপল গগৈক মুকলি কৰি নিদিয়াত পৰিৱেশ উত্তাল কৰি তোলাত আৰক্ষীয়ে গৌৰৱ গগৈক বাহিৰলৈ গৈ কংগ্ৰেছৰ নেতা-কৰ্মীসকলক পৰিস্থিতি ভালে ৰাখিবলৈ অনুৰোধ জনোৱাৰ লগতে থানাৰ কাষৰ পৰা আতৰি যাবলৈ অনুৰোধ জনায়। গগৈৰ অনুৰোধত কংগ্ৰেছ নেতা-কৰ্মী দূৰলৈ গুছি যায়। গৌৰৱ গগৈ বাহিৰলৈ ওলাই আহি ধৰ্ণাত চামিল কংগ্ৰেছসকলক বুজনি দিয়ে। সেই সময়ত গৌৰৱ গগৈ জিন্দাবাদ ধ্বনিৰে থানা চৌহদ ৰজনজনাই যায়। আনহাতে, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, ৰঞ্জিত দত্তক মুৰ্দাবাদ, বিজেপি গ'বেক, বিজেপি লেই লেই ছেই ছেই শ্ল'গান দিয়া পৰিলক্ষিত হয়। গৌৰৱ গগৈয়ে সাংবাদমাধ্যমৰ মুখামুখি হৈ কয় যে দিনৰভাগত তেওঁক আটক কৰি থানালৈ আনিছিল। মই গম পায় ৪ বজাতে থানালৈ আহো। নিশা ১০ বজালৈ এৰি দিয়া নাছিল। কিন্তু আৰক্ষীয়ে কৈছে তেওঁক এৰি দিব। আৰক্ষীয়ে ফৰ্মেলিটি পূৰণ কৰিবলগীয়া আছে বুলি কয় আৰক্ষীয়ে। কংগ্ৰেছ কৰ্মীসকলক উত্তেজিত নহ'বলৈ কৈ আৰক্ষীক সহায় কৰিব খোজা বুলি কয়। উৎপল গগৈক এৰি দিম বুলি কৈছে। আমি সংঘাত বিচৰা নাই। কিন্তু নিৰ্বাচন নিৰপেক্ষ হ'ব লাগে। যিকোনো লোকে যিকোনো দলৰ আদৰ্শৰ সৈতে কাম কৰিব পাৰে। গণতান্ত্ৰিক ব্যৱস্থাৰ মাজেৰে কাম কৰিব লাগে। বিজেপিয়ে বিহালীত কাম কৰি থকাৰ দৰেই কংগ্ৰেছে কাম কৰি আছিল বুলি দাবী কৰিছে গগৈয়ে। কেৱল কংগ্ৰেছৰ নেতাকহে আটক কৰা কাৰ্যক ধিক্কাৰ দিয়ে গৌৰৱে। কংগ্ৰেছীৰ ক্ষোভৰ পাৰা বৃদ্ধি পোৱাৰ সময়তে বিশ্বনাথ জিলা আৰক্ষীয়ে পৰিস্থিতি লক্ষ্য কৰি অৰ্ধসামৰিক বাহিনী নিয়োগ কৰে। তেনে সময়তে পৰিস্থিতি ঠিকেই ৰাখিবলৈ গৌৰৱ গগৈয়ে হাতত মাইক লৈ সকলোকে পৰিস্থিতি ঠিক কৰি ৰাখিবলৈ আহ্বান জনায়। ঘটনাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে মন্ত্ৰী পীযুষ হাজৰিকাই। পীযুষ হাজৰিকাই কয় যে নিৰ্বাচনৰ নিয়মাৱলী আৰু আচৰণ বিধিত স্পষ্টকৈ উল্লেখ আছে যে এবাৰ 'ছাইলেণ্ট পিৰিয়ড' আৰম্ভ হ'লে আৰু ভোটদানৰ দিনটোত কেৱল ভোটাৰহে সমষ্টিটোত থাকিব পাৰে।

### ভাঙিলে সাংবাদিকৰ বাহন

**ই-সংবাদ, পুৰণিগুদাম, ১৩ নবেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিত আজি দুই এটা নিৰ্বাচনকেন্দ্ৰিক বিক্ষিপ্ত ঘটনা সংঘটিত হৈছিল যদিও বিগত সময়ৰ তুলনাত প্ৰায় শান্তিপূৰ্ণভাৱেৰেই সমাপ্ত হ'ল উপ-নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়া।চামগুৰি সমষ্টিবাসী ১ লাখ ৮০ হাজাৰ ৪৪৮ গৰাকী ভোটাৰৰ ভিতৰত প্ৰায় ৭৮.১ শতাংশ লোকে আজি ভোটাধিকাৰ সাব্যস্ত কৰি নিজৰ মন পচন্দৰ নেতাগৰাকীৰ ভাগ্য ইভিএমত কৰিলে আৱদ্ধ। এতিয়া অপেক্ষা অহা ২৩ নৱেম্বৰৰ দিনটোত ভোট গণনাৰে স্বীকৃতিপ্ৰাপ্ত সৰ্বভাৰতীয় আৰু ৰাজ্যিক ৰাজনৈতিক দল ক্ৰমে কংগ্ৰেছ, বিজেপি, আম আদমী পাৰ্টি পঞ্জীয়নভুক্ত ৰাজনৈতিক দল ক্ৰমে, কমিউনিষ্ট,ভাৰতীয় গণ পৰিষদ,ৰাষ্ট্ৰীয় ওলামা কাউঞ্চিলৰ একোজনকৈ প্ৰাৰ্থীৰ লগতে অন্যান্য পাঁচগৰাকী নিৰ্দলীয় প্ৰাৰ্থীৰ ভাগ্য পৰীক্ষাৰ ফলাফল পাবলৈ। চামগুৰি সমষ্টিৰ এঘাৰ গৰাকীকৈ প্ৰাৰ্থীৰ কৰ্মী-সমৰ্থকে ভোটদানৰ দিনটো আক্ৰোশমূলক আৰু নীতিবহিভূত কাৰ্য কৰা পৰিলক্ষিত হ'ল।জানিব পৰা মতে, আজি পুৱাৰ ভাগত চামগুৰি সমষ্টিৰ শ'লমাৰিত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৮৯ নং আৰু ৯০ নং শ'লমাৰি কেন্দ্ৰত বিজেপি কৰ্মীয়ে কংগ্ৰেছৰ এজেন্টক মাৰধৰ কৰি ভোটদান কেন্দ্ৰৰ পৰা উলিয়াই দিয়াৰ পাছতে সৃষ্টি হোৱা অভাৱনীয় এক উত্তপ্ত পৰিস্থিতি কৰ্তব্যৰত আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। আনহাতে, চামগুৰিৰ ৭ নং ভগামুখ মুক্তাৰত থকা ৩ নং ভোটকেন্দ্ৰৰ ইভিএম বিকল হোৱাৰ ফলত ভোটদান কাৰ্য এঘন্টা সময় পলম হয়। পুৰণিগুদাম বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত থকা পূব খণ্ডৰ ৯৯ নং ভোটকেন্দ্ৰত পুৱা ৯-১৫ মিনিটত ইভিএম বিকল হোৱাৰ ফলত এক ঘন্টা দহ মিনিট সময় ভোটদান প্ৰক্ৰিয়া স্থবিৰ হৈ পৰে। ঠিক সেইদৰে চামগুৰি সমষ্টিৰ পূব শালপাৰাটো এক ঘটনা সংঘটিত হয়। জানিব পৰা মতে, কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ পিতৃ সাংসদ ৰকিবুল হুছেইনে ভোটদান প্ৰক্ৰিয়াৰ খবৰ ল'বলৈ আজি পুৱাৰ ভাগত পূব শালপাৰাত উপস্থিত হয়। ৰকিবুল হুছেইনে ভোটকেন্দ্ৰ পৰ্যবেক্ষণ কৰি ওভতি যোৱাৰ সময়তে হুছেইনৰ পাছতে যোৱা "আমাৰ অসম" কাকতৰ লাহৰীঘাটৰ সংবাদদাতা নেকিবুৰ ৰহমানৰ বাহনখনত কোনো দুষ্কৃতিকাৰীয়ে শিলগুটি দলিয়াই বিস্তৰ ক্ষতিসাধন কৰে। অৱশ্যে লাহৰিঘাটৰ সংবাদদাতা গৰাকীয়ে কি উদ্দেশ্য আগত ৰাখি আজিৰ দিনটোত নিৰ্বাচন আয়োগৰ পৰিচয় পত্ৰ লৈ চামগুৰি সমষ্টিৰ পূৱ শালপাৰালৈ আহিছিল সেয়া বিশেষভাৱে জানিব পৰা হোৱা নাই যদিও দুষ্কৃতিকাৰীয়ে কৰা এনে কাণ্ডৰ সচেতনমহলে গৰিহণা দিয়া পৰিলক্ষিত হয়। চামগুৰিৰ খাটোৱাল পঞ্চায়তৰ ৪৪ নং কোটায়নীৰ ভোটকেন্দ্ৰত কংগ্ৰেছ আৰু বিজেপি সমৰ্থকৰ মাজত হোৱা প্ৰচণ্ড মাৰপিটৰ ঘটনাত এক উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। জানিব পৰা মতে, এগৰাকী কংগ্ৰেছ সমৰ্থকে এবাৰ ভোটদান কৰি দ্বিতীয়বাৰৰ বাবে পুনৰ ভোটদান কৰিবলৈ চেষ্টা কৰাৰ অপৰাধত মাৰপিটৰ সূত্ৰপাত হয় আৰু হেঁচা-ঠেলাত এজন আহত হয়। ইফালে, বাজিয়াগাঁৱৰ ৫৩ নং ভোটগ্ৰহণ কেন্দ্ৰতো হয় এক অঘটন। এগৰাকী গৰ্ভৱতী মহিলা ভোট দিবলৈ আহি বাগৰি পৰাত মহিলাগৰাকীক সংকটজনক অৱস্থাত নগাঁও মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হয়। চামগুৰিৰ খলিহামাৰীত ভোটকেন্দ্ৰত প্ৰশাসনে অনুমতি কাৰ্ড নথকা এজন কংগ্ৰেছ কৰ্মীক আজি বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কেন্দ্ৰটোৰ পৰা উলিয়াই আনিবলৈ চেষ্টা কৰোতেই এক উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। উক্ত কৰ্মীগৰাকীয়ে জালিয়াতিৰে ভোটকেন্দ্ৰত দায়িত্ব লোৱাৰ অপৰাধত পাছত আৰক্ষীয়ে আটক কৰে বুলি জানিব পৰা গৈছে। সোণাৰিবালি প্ৰাথমিক বিদ্যালয় তথা ১৪ নং ভোটকেন্দ্ৰত আধাঘন্টা সময় ধৰি ভোটদান প্ৰক্ৰিয়া বন্ধ হৈ আছিল। জানিব পৰা মতে, কেন্দ্ৰটোৰ এজন বিষয়াই ভোটাৰক কটু বাক্যৰে অপদস্থ কৰাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি সৃষ্টি হয় যদিও পৰৱৰ্তী সময়ত উচ্চপদস্থ বিষয়া উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে পুনৰ ভোটদানৰ প্ৰক্ৰিয়া আৰম্ভ হয় বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘বুলড’জাৰ বিচাৰ’ত নিষেধাজ্ঞা ছুপ্ৰিম

গোচৰত নাম সাঙোৰ খাই পৰাৰ পিছতে বুলড’জাৰ চলাই অভিযুক্তৰ ঘৰ ভঙাৰ নতুন বিচাৰ নীতি প্ৰৱৰ্তন কৰিছে কেইবাখনো বিজেপিশাসিত চৰকাৰে। কিন্তু এই বুলড’জাৰ নীতিক লৈ উচ্চতম ন্যায়ালয়ত দাখিল কৰা একাধিক আবেদনৰ আজি শুনানি গ্ৰহণ কৰে উচ্চতম ন্যায়ালয়ে। এই শুনানিকালতে বুলড’জাৰ নীতি গ্ৰহণ কৰাসকলক কঠোৰ সকিয়নী প্ৰদান কৰিছে সৰ্বোচ্চ ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ে কয় যে আৰক্ষী-প্ৰশাসন ন্যায়পালিকাৰ উৰ্ধত নহয়। বিচাৰৰ পূৰ্বে অভিযুক্তক দোষী সাব্যস্ত কৰিব নোৱাৰি। কোনো প্ৰশাসন অথবা চৰকাৰে যাতে নিজৰ ইচ্ছা মতেই য’তে ত’তে বুলড’জাৰ চলাব নোৱাৰে, তাৰ বাবেও গাডলাইন জাৰি কৰিছে উচ্চতম ন্যায়ালয়ে। উল্লেখ্য যে, অপৰাধমূলক গোচৰত নাম উল্লেখ থকা অভিযুক্তৰ ঘৰত বুলড’জাৰ চলোৱাৰ বিৰুদ্ধে আদালতত দাখিল কৰা হৈছিল কেইবাখনো আবেদন। আবেদনকাৰীসকলে ন্যায় বহিৰ্ভূতভাৱে ‘বুলড’জাৰ নীতি’ জাপি দিয়া বুলি অভিযোগ কৰি আদালতত এই আবেদনসমূহ দাখিল কৰিছিল। বুধবাৰে ন্যায়াধীশ বি আৰ গৱাই আৰু কেভি বিশ্বনাথনৰ বিচাৰপীঠে এনে আবেদনসমূহৰ শুনানি গ্ৰহণ কৰি বুলড’জাৰ নীতিক তীব্ৰ সমালোচনা কৰে। শুনানিৰ সময়ত ন্যায়াধীশ গাৱাইয়ে কয় যে মূৰৰ ওপৰত এখন চালি নিৰ্মাণ কৰাটো প্ৰতিটো পৰিয়ালৰে সপোন। এইখিনিতে প্ৰশ্ন হয় যে কাৰোবাৰ আশ্ৰয় কাঢ়ি লোৱাৰ অধিকাৰ আৰক্ষী-প্ৰশাসনৰ আছেনে? ন্যায়াধীশ গৱাইয়ে কয়, "গণতান্ত্ৰিক চৰকাৰ এখনৰ ভিত্তিয়েই হৈছে আইনৰ শাসন। আৰু আইনত কোৱা হৈছে যে অভিযুক্তক আগতীয়াকৈ দোষী সাব্যস্ত কৰিব নোৱাৰি। চৰকাৰৰ অত্যাচাৰী কাৰ্য্যৰ পৰা নাগৰিকক ৰক্ষা কৰিবলৈ সংবিধানে কিছুমান অধিকাৰ প্ৰদান কৰিছে। আইনৰ শাসনে কয় যে কাৰো সম্পত্তি ইচ্ছাকৃতভাৱে কাঢ়ি নিব নোৱাৰি।" ন্যায়াধীশ গৱাইয়ে লগতে কয়, "আৰক্ষী-প্ৰশাসন কেতিয়াও ন্যায়পালিকাৰ বিকল্প হ’ব নোৱাৰে। ইয়াত জনসাধাৰণৰ প্ৰতি জবাবদিহিতাৰ প্ৰশ্নটো জড়িত হৈ আছে। যদি আৰক্ষী-প্ৰশাসনে কোনো অভিযুক্ত ব্যক্তিৰ ঘৰত বুলড’জাৰ চলায়, তেন্তে ক্ষমতা বিভাজনৰ নীতি উলংঘা কৰা হয়।" আদালতে মন্তব্য কৰে যে বুলড’জাৰ চলাবলৈ নিৰ্দেশ দিয়া বিষয়াজনৰ ওপৰত দায়িত্ব পৰিব। আদালতে কয়, "চৰকাৰ কিম্বা আমোলাই স্বেচ্ছাচাৰী আৰু অতি সক্ৰিয়ভাৱে কাম কৰিব নোৱাৰে। যদি কোনো বিষয়াই নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰে, স্বেচ্ছাচাৰীভাৱে কাম কৰে, তেন্তে তেওঁক ৰেহাই দিয়া নহ’ব।" আদালতে লগতে এয়াও কয় যে যেতিয়া কোনো এটা আৱাস অবৈধ বুলি চিহ্নিত কৰি বুলড’জাৰ চলোৱা হয়, আৰু ওচৰৰ বাকী ঘৰবোৰ এৰি দিয়া হয়, তেন্তে ইয়াৰ দ্বাৰা এইটোৱে বুজিব লাগিব যে বুলড’জাৰ চলোৱাৰ প্ৰকৃত উদ্দেশ্য অবৈধ আৱাসটো ভাঙি পেলোৱা নহয়, ইয়াৰ উদ্দেশ্য হৈছে বিচাৰ অবিহনে অভিযুক্তক শাস্তি প্ৰদান কৰাহে। যদি পৰিয়ালৰ কোনো এজন অভিযুক্ত হয়, তেন্তে বাকীসকলৰ মূৰৰ ওপৰৰ পৰা চালিখন কাঢ়ি লোৱাৰ অধিকাৰ কোনে দিলে বুলিও প্ৰশ্ন কৰে আদালতে। ইফালে এই শুনানিকালত অবৈধ নিৰ্মাণৰ ক্ষেত্ৰত বুলড’জাৰ নীতিৰ বাবেও নিয়ম নিৰ্ধাৰণ কৰে আদালতে। আদালতৰ নিৰ্দেশ অনুসৰি, কাৰণ দৰ্শোৱাৰ জাননী অবিহনে এতিয়াৰে পৰা কোনেও বুলড’জাৰ চলাব নোৱাৰিব। যিজন ব্যক্তিক জাননী প্ৰেৰণ কৰা হয়, তেওঁ ১৫ দিনৰ ভিতৰত উত্তৰ দিব লাগিব। স্থানীয় নিয়ম অনুসৰি সময় বৃদ্ধি কৰিব পাৰিব। কেৱল জাননী দিয়াই নহয়, নিৰ্মাণৰ কাম কিয় অবৈধ বুলি কোৱা হৈছে, কি আইন উলংঘা কৰিছে আদি বিতং তথ্যও জাননীযোগে প্ৰদান কৰিব লাগিব বুলিও আদালতে নীতি নিৰ্ধাৰণ কৰি দিয়ে। আদালতে কয় যে, স্থানীয় প্ৰশাসনে যিজন ব্যক্তিলৈ জাননী প্ৰেৰণ কৰে, তেওঁৰ উত্তৰ অনুসৰি আগবাঢ়িব লাগিব। যদি নিৰ্মাণ অবৈধ হয়, তেন্তে ১৫ দিনৰ সময় দিব লাগিব আৰু যেতিয়া কোনোধৰণৰ আপত্তি নাথাকিব অথবা আদালতে স্থগিতাদেশ জাৰি নকৰিব, তেতিয়াহে বুলড’জাৰ চলাব পাৰিব বুলিও সতৰ্ক কৰি দিয়ে সৰ্বোচ্চ ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠে লগতে কয় যে, আদালতৰ নিৰ্দেশ অমান্য কৰিলে ইয়াক আদালত অৱমাননা হিচাপে গণ্য কৰা হ’ব। যিজন ব্যক্তিৰ নিৰ্দেশনাত বুলডজাৰ চলোৱা হ’ব, তেওঁ ভাঙি পেলোৱা নিৰ্মাণ পুনৰ সজাৰ দায়িত্বও ল’ব লাগিব আৰু তাৰ বাবে প্ৰয়োজনীয় ধন তেওঁৰ দৰমহাৰ টকাৰ পৰা কৰ্তন কৰা হ’ব।একে সময়তে আদালতে পৌৰসভাসমূহক তিনি মাহৰ ভিতৰত অবৈধ নিৰ্মাণৰ ওপৰত প্ৰেৰণ কৰা কাৰণ দৰ্শোৱাৰ জাননীৰ বাবে পৰ্টেল তৈয়াৰ কৰিবলৈও নিৰ্দেশ দিয়ে। উচ্চতম ন্যায়ালয়ৰ এই কঠোৰ নিৰ্দেশনাৰ পিছতে প্ৰথম প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে উত্তৰ প্ৰদেশ চৰকাৰে। বিগত সময়ছোৱাত অভিযুক্তৰ ঘৰত বুলড’জাৰ চলাই সমৰ্থকৰ পৰা বাহ্ বাহ্ লোৱা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক পূৰ্বেও বুলড’জাৰ নীতিক লৈ কাঠগড়াত থিয় কৰাইছিল উচ্চতম ন্যায়ালয়ে। যোগী আদিত্যনাথৰ আৰ্হিৰেই পৰৱৰ্তী সময়ত এই বুলড’জাৰ নীতি জনপ্ৰিয় হৈ পৰিছিল আন কে’বাখনো বিজেপি শাসিত প্ৰদেশত। অসমতো এই বুলড’জাৰ নীতি প্ৰয়োগেৰে শক্তি প্ৰদৰ্শন কৰি আদালতৰ ৰোষত পৰিবলগীয়া হৈছিল হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰ। কিন্তু বুধবাৰে উচ্চতম ন্যায়ালয়ে বুলড’জাৰ নীতিক লৈ গ্ৰহণ কৰা কঠোৰ স্থিতিৰ পিছতে এতিয়া গৰম হৈ পৰিছে উত্তৰ প্ৰদেশৰ ৰাজনীতি। আদালতৰ নিৰ্দেশৰ পিছত প্ৰথম প্ৰতিক্ৰিয়া ব্যক্ত কৰি যোগী চৰকাৰে কয় যে আইনৰ শাসন সুশাসনৰ প্ৰথম চৰ্ত। এই দৃষ্টিকোণৰ পৰা উচ্চতম ন্যায়ালয়ে দিয়া সিদ্ধান্ত আদৰণীয়। এই সিদ্ধান্তই অপৰাধীৰ মনত আইনৰ প্ৰতি ভয়ৰ সৃষ্টি কৰিব। মাফিয়া বা সংগঠিত পেছাদাৰী অপৰাধীক নিয়ন্ত্ৰণ কৰাটো সহজ হ’ব। উত্তৰ প্ৰদেশ চৰকাৰে লগতে কয় যে আইনৰ শাসন সকলোৰে বাবে প্ৰযোজ্য। যোগী চৰকাৰে সমান্তৰালভাৱে দায় সৰাৰ চেষ্টা চলাই কয় যে উচ্চতম ন্যায়ালয়ৰ আদেশ উত্তৰ প্ৰদেশ চৰকাৰৰ আধাৰত নহয়, বৰঞ্চ দিল্লীৰ প্ৰেক্ষাপটতহে। এই গোচৰটো জমিয়ত উলেমা-ই-হিন্দ বনাম উত্তৰ দিল্লী পৌৰ নিগম আদিৰ সৈতে জড়িত আছিল। অন্যহাতে এই নিৰ্দেশৰ পিছতে এতিয়া বুলড’জাৰ নীতিৰ প্ৰণয়ন কৰা যোগী চৰকাৰ আৰু আন আন চৰকাৰসমূহক সমালোচনাৰে থকাসৰকা কৰিছে বিৰোধীয়ে। বহুজন সমাজবাদী পাৰ্টিয়ে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্তৰ পিছত আশা কৰা উচিত যে উত্তৰ প্ৰদেশ আৰু অন্যান্য ৰাজ্য চৰকাৰসমূহে জনস্বাৰ্থ আৰু কল্যাণ সঠিকভাৱে আৰু সুকলমে পৰিচালনা কৰিব। ইয়াৰ লগে লগে বুলড’জাৰৰ আতংকৰ নিশ্চিতভাৱে অন্ত পৰিব। ‘বুলড’জাৰ নীতি’ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তক লৈ সমাজবাদী পাৰ্টিৰ সাংসদ অৱধেশ প্ৰসাদে কয় যে ন্যায়ালয়ৰ এই সিদ্ধান্ত আদৰণীয়। বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰে ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰিছিল। উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্তৰ পিছত এতিয়া ৰাজ্য চৰকাৰে যিসকল পৰিয়ালৰ ঘৰ ভাঙি পেলোৱা হৈছিল তেওঁলোকক ক্ষতিপূৰণ প্ৰদান কৰিব লাগিব আৰু ইয়াৰ লগত জড়িত বিষয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইইডি কাণ্ড, ধৃত ৩ জন

সংগঠনে বাতৰি লিখা পৰলৈকে আইইডি সংস্থাপনৰ দায়িত্ব স্বীকাৰ কৰা নাই যদিও আলফা স্বাধীনেই এই কাণ্ড কৰিব পাৰে বুলি সন্দেহ কৰা হৈছে। শিৱসাগৰত ভয়ংকৰ কূটাঘাট সংঘটিত কৰাৰ উদ্দেশ্য আলফা স্বাধীনে আইইডি স্থাপন কৰিছিল বুলি চোৰাংচোৱা সূত্ৰই সদৰি কৰিছে। ইপিনে আই ই ডি স্থাপন কৰে জড়িত সকলক কৰায়ত্ত কৰিবলৈ শিৱসাগৰ আৰক্ষীয়ে যোৱা নিশা কেইবাটাও স্থানত অভিযান চলাই। অভিযান কালত সন্দেহৰশতঃ তিনিজনক আটক কৰি জেৰা অব্যাহত ৰাখিছে। মৰাণৰ পৰা তজুচৰণ বাইলুং, বেতবাৰীৰ চাংমাই গাঁৱৰ পৰা মৃদুল ওৰফে ৰাজ চাংমাই, চহৰৰ কে পি চাৰিআলি পৰা সত্যব্ৰত বৰা নামৰ লোক কেইজনক আটক কৰে। সদৰ থানাত মাৰাথান জেৰা চলাইছে সত্যব্ৰত, তৰ্জুচৰণ আৰু মৃদুল ওৰফে ৰাজ চাংমাইক। উল্লেখ্য যে, শিৱসাগৰ নেমুগুৰিৰ অ'এনজিচিৰ এটা ৰিগৰ পৰা অ'এনজিচিৰ বিষয়া-কৰ্মচাৰী যোৱা ৬ অক্টোবৰত অপহৰণৰ পৰিকল্পনা কৰিছিল আলফা স্বাধীনে। অ'এনজিচিৰ কৰ্মচাৰী তাহিৰুল হুচেইন, প্ৰাক্তন আলফা তথা গুলিবিদ্ধ হৈ বৰ্তমান চিকিৎসাধীন হৈ থকা ৰাহুল হাজৰিকা ওৰফে লাডেনৰ সহযোগত কৰা আলফা স্বাধীনৰ সেই পৰিকল্পনা বিফল কৰিছিল আৰক্ষীয়ে। ইয়াৰ পোতক তুলিবলৈকে আলফা স্বাধীনে কূটাঘাটৰ পৰিকল্পনা কৰিছিল বুলি অনুমান কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অখ্যাত সংস্থাৰ ফেশ্যন শ্ব'ক লৈ চৰ্চা

সাক্ষাৎকাৰ লৈ থকাত আৰু সেই সাক্ষাৎকাৰ ব্যাপকভাৱে চৰ্চালৈ অহাত মিছেছ ইণ্ডিয়া গেলেক্সিৰ বিষয়ে জানিবলৈ মানুহৰ উৎসুকতা বৃদ্ধি পাইছে। ২০২৪ বৰ্ষত গোলাঘাটৰ কন্যা ৰিণিমি বৰাই ফেশ্বন-শ্ব'ত অংশ লৈ মিছেছ ইণ্ডিয়া গেলেক্সিৰ মুকুট অৰ্জন কৰিছে। ৰিণিমি বৰাই বিভিন্ন সাক্ষাৎকাৰত উল্লেখ কৰা মতে, তেওঁ থাকে বাংগালুৰুত। বাংগালুৰুৰ এগৰাকী বিখ্যাত ব্যৱসায়ীৰ সৈতে সম্পৰ্কত আছে। স্বামীয়ে তেওঁক ফেশ্বনৰ জগতত আগুৱাই যাবলৈ প্ৰেৰণা দিছে। ৰিণিমি বৰাই নিজ সামাজিক মাধ্যমত থকা একাউন্টত উল্লেখ কৰা মতে, তেওঁ গুৱাহাটী কমাৰ্চ কলেজৰ ছাত্ৰী আছিল। ২০১০ চনত ডেল ইণ্টাৰনেচনেলত কাম কৰিছিল। ২০১৪ চনত তেওঁ চাকৰি ত্যাগ কৰে। ৰিণিমিৰ বহু বক্তব্য প্ৰেৰণাদায়ক হৈ পৰাত ৰিণিমিয়ে কি ফেশ্বন-শ্ব'ত অংশ লৈ মিছেছ ইণ্ডিয়া গেলেক্সি খিতাপ লাভ কৰিলে সেই বিষয়ে জানিবলৈ একাংশ নেটিজেন উৎসুক হোৱা দেখা গৈছে। কিয়নো এগৰাকী অসম সন্তানে এই খিতাপ লাভ কৰিছে। এই বিষয়ত সামাজিক মাধ্যমত বিভিন্ন জনে লিখা-মেলা কৰাত নিউজ নেক্সট ওৱানে কিছু তথ্য জানিবলৈ প্ৰয়াস কৰাত এটা ৱেবছাইট লাভ কৰে। www.mrsindiainc.org নামৰ ৱেবছাইট কিছু তথ্য লাভ কৰা যায়। ২০১৮ চনত ক'ভিডৰ সময়ত এই বেৱছাইট আৰম্ভ হৈছিল। বেৱছাইটত উল্লেখ কৰা মতে, মিছেছ ইণ্ডিয়া আইএঅনচিৰ মুখ্য কাৰ্যবাহী বিষয়া হৈছে মোহিনী শৰ্মা নামৰ মহিলাগৰাকী। ২০১৯ চনত ক'ভিডৰ সময়ত প্ৰথমবাৰ মিছেছ ইণ্ডিয়া আইএঅনচিয়ে অনুষ্ঠিত কৰিছিল ফেশ্বন-শ্ব'। মিছেছ ইণ্ডিয়া আইএঅনচিয়ে Mrs. World, Mrs. Galaxy, Mrs. Globe and Mrs. Earth নিৰ্বাচিত কৰে। www.mrsindiainc.org নামৰ বেৱছাইটত পঞ্জীয়ন কৰি এই ফেশ্বন-শ্ব'সমূহত অংশগ্ৰহণ কৰিব পাৰি। চৰ্তাৱলী আৰু নিয়মাৱলী স্বীকাৰ আৰু সন্মত হৈ স্বেচ্ছাই বেৱছাইটত পঞ্জীয়ন কৰিলেই ফেশ্বন-শ্ব'ত অংশগ্ৰণ কৰিব পাৰি। কিন্তু একাধিকবাৰ মিছেছ ইণ্ডিয়া আইএঅনচিক লৈ বিতৰ্কৰ সৃষ্টি হৈ আহিছে। কিয়নো কেৱল সামাজিক মাধ্যমতহে সক্ৰিয় ফেশ্বন-শ্ব' অনুষ্ঠিত কৰে মিছেছ ইণ্ডিয়া আইএঅনচিয়ে। মনোৰঞ্জনৰ বাতৰি কৰা সংবাদমাধ্যমে বিশেষ গুৰুত্ব নিদিয়ে। ফেশ্বন-শ্ব'ৰ গৰিমা, বিশ্বাসযোগ্যতাক লৈ প্ৰশ্ন হয়। কেবাগৰাকী প্ৰতিযোগীয়ে এই ফেশ্বন-শ্ব'ক লৈ প্ৰশ্ন উত্থাপন কৰা দেখা গৈছে। নাম-মোকাম নোহোৱা সংস্থাটোৱে একাংশ ধনী ঘৰৰ মহিলাক টাৰ্গেট কৰি লৈ ফেশ্বন-শ্ব' অনুষ্ঠিত কৰি আহিছে বুলি অভিযোগ উত্থাপিত হোৱা দেখা গৈছে। সংস্থাটোৰ মুখ্য লক্ষ্য হৈছে পুঁজি সংগ্ৰহ কৰা। ভাৰতীয় বিবাহিত মহিলাৰ বাবে বিশ্বৰ শ্ৰেষ্ঠ সৌন্দৰ্য প্ৰতিযোগিতা বুলি দাবী কৰা ফেশ্বন-শ্ব'ত বিশেষ কোনো সংবাদমেল, বিখ্যাত ব্ৰেণ্ডৰ পৰিৱৰ্তে অল্পখ্যাত ব্ৰেণ্ডৰ স্পনৰচিপেৰে ফেশ্বন-শ্ব' অনুষ্ঠিত কৰি আহিছে। বিচাৰক হিচাপে বিখ্যাত ফেশ্বন ডিজাইনাৰক আমন্ত্ৰণ কৰা নহয়। ৰশ্মি জৈন, মৌচুমী মেৰাবালা, কেৰলিন জুৰিয়াৰ নাম বিচাৰক বুলি উল্লেখ আছে। অভিনেতা বিবেক অবৰয়, চোহা আলী খানৰ নামো বিচাৰক হিচাপে উল্লেখ আছে যদিও ফেশ্বন-শ্ব'ত উল্লেখ থকা ফটো বেৱছাইটত প্ৰকাশ কৰিব পৰা নাই। ইনষ্টাগ্ৰাম আৰু ফেচবুকৰ ভেৰিফাইড পেজ বা একাউণ্ট আৰু বেছি ফলোৱাৰ থকা মহিলাক এই প্ৰতিযোগিতাত গুৰুত্ব দিয়া হয়। প্ৰশিক্ষণৰত সৌন্দৰ্য প্ৰতিযোগিৰ পৰিৱৰ্তে কেন্সাৰ ৰোগীৰ নাম লৈ পুঁজি সংগ্ৰহ কৰাৰ অভিযোগ আছে সংস্থাটোৰ বিৰুদ্ধে। প্ৰতিযোগীসকলৰ সহায়ত ক্ৰাউড ফাণ্ডিং কৰি সমাজক সহায় কৰাৰহে তেওঁলোকৰ মুখ্য উদ্দেশ্যে। প্ৰতিযোগীসকলৰ পৰা পঞ্জীয়ন মাচুল আৰু বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰোৱাই পুঁজি সংগ্ৰহ কৰে। ২০১৯, ২০২০ চনত তেনেদৰে ধন সংগ্ৰহ কৰিছিল মোহিনী শৰ্মাৰ সংস্থাটোৱে। ২০২১ চনত ক'ভিদৰ সময়ত ৭০ লাখ টকা পুঁজি সংগ্ৰহৰ লক্ষ্য লৈছিল। মিছেছ ইণ্ডিয়া আইএঅনচি অৰ্গেনাইজচনৰ নিজা দাতব্য ন্যাসো আছে। দাতব্য ন্যাসৰ বাবে প্ৰতিযোগিতা আৰু প্ৰতিযোগিতৰ দ্বাৰা ধন সংগ্ৰহ কৰা হয়। কিন্তু ২০২৩ চনৰ মিছেছ ইণ্ডিয়া আইএঅনচি অৰ্গেনাইজচনৰ ফেশ্বন-শ্ব'ত মালাইকা আৰোৰা আৰু দিন মৰিয়াও উপস্থিত আছিল। তাৰ দুখন ফটো বেৱছাইটত উল্লেখ আছে। এই ফেশ্বন-শ্ব'ৰ দ্বাৰা প্ৰতিযোগীৰ পৰা মাচুল আদায় কৰাটোৱে প্ৰদান লক্ষ্য হোৱা দেখা গৈছে। এটা কথাই ওলাই পৰিছে সৌন্দৰ্য প্ৰতিযোগিতাৰ কঠোৰ নিয়মাৱলীৰ পৰাও বহু দূৰত এই ফেশ্বন-শ্ব'। ফিল্ম নিৰ্মাতা লুইত কুমাৰ বৰ্মনে কয় যে মিছেছ ইণ্ডিয়া গেলেক্সি কি বস্তু বুলি অলপ ইণ্টাৰনেট খুচৰি চালো। কোনো ৰাষ্ট্ৰীয় মাধ্যমত বাতৰি নাপালো। এএনআইত দিছে মাত্ৰ, কিন্তু আচৰিতভাৱে তলত ডিচক্লেইমাৰ দি দিছে যে অৰ্গেনাইজাৰে দিয়া প্ৰেছ ৰিলিজৰ মতেহে বাতৰি দিয়া হৈছে। কিন্তু আমাক ভাৰত চৰকাৰে কাঁ মহোৎসৱত পঠোৱাৰ পাছতো আমাক কিছুমানে সন্দেহৰ দৃষ্টিৰেহে চাইছিল। মাত্ৰ আমি সত্য বুলি প্ৰমাণ দিব লগা হৈছিল। এনেদৰে এতিয়া ব্যাপকভাৱে চৰ্চিত হৈ ৰবা ৰিণিমি বৰাই লাভ কৰা উক্ত খিতাপৰ বিশ্বাসযোগ্যতা আৰু গুৰুত্বক লৈ উত্থাপিত হৈছে বিভিন্ন প্ৰশ্নৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজ্ঞাপনক লৈ ক'চিং চেণ্টাৰক

বিজ্ঞাপন আৰু ভুৱা দাবী প্ৰতিৰোধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে জাৰি কৰিছে এক নতুন নিৰ্দেশনা। উল্লেখ্য যে, গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণে এই নিৰ্দেশনা প্ৰণয়ন কৰিছে, যাৰ জৰিয়তে ইতিমধ্যে ৫৪ খন জাননী জাৰি কৰি কে'বাখনো কোচিং চেণ্টাৰৰ ওপৰত প্ৰায় ৫৪.৬০ লাখ টকাৰ জৰিমনা আৰোপ কৰা হৈছে। গ্ৰাহক পৰিক্ৰমা সচিব নিধি খাৰেয়ে কয় যে কোচিং চেণ্টাৰসমূহে প্ৰায়ে ইচ্ছাকৃতভাৱে ছাত্ৰ-ছাত্ৰীৰ পৰা অত্যাৱশ্যকীয় তথ্য লুকুৱাই ৰাখে। এই কাৰণেই কোচিং উদ্যোগৰ বাবে এই গাইডলাইনসমূহ প্ৰকাশ কৰা হৈছে। চৰকাৰ কোচিং চেণ্টাৰৰ বিৰোধী নহয়, কিন্তু বিজ্ঞাপনৰ জৰিয়তে গ্ৰাহকৰ অধিকাৰ খৰ্ব কৰিব নালাগে বুলিও তেওঁ কয়। কেন্দ্ৰীয় চৰকাৰৰ নতুন নিৰ্দেশনা অনুসৰি কোচিং চেণ্টাৰসমূহে নিজৰ পাঠ্যক্ৰমৰ প্ৰস্তাৱ, অধ্যাপকৰ অৰ্হতা, মাচুলৰ গাঁথনি, ধন ঘূৰাই দিয়া নীতি, সফলতাৰ হাৰ, পৰীক্ষাৰ ৰেংকিং, চাকৰিৰ নিশ্চয়তা আৰু দৰমহা বৃদ্ধিৰ বিষয়ে ভুৱা দাবী কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নীতিত শৈক্ষিক সহায়, শিক্ষা, পথ প্ৰদৰ্শন, অধ্যয়ন কাৰ্যসূচী আৰু টিউচন অন্তৰ্ভুক্ত কৰা হৈছে যদিও ক্ৰীড়া আৰু সৃষ্টিশীল কাৰ্য্যকলাপ বাদ দিয়া হৈছে। অন্যহাতে বাছনিৰ পিছত কোচিং চেণ্টাৰৰ লিখিত অনুমতি অবিহনে সফল প্ৰাৰ্থীৰ নাম, ফটো বা প্ৰশংসাপত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব বুলি স্পষ্ট কৰি দিয়া হৈছে নতুন নিৰ্দেশনাত। খাৰেয়ে কয় যে ইউ পি এছ চিৰ বহু শিক্ষাৰ্থীয়ে নিজাববীয়াকৈ প্ৰিলিম আৰু মেইনছ পৰীক্ষা ক্লিয়াৰ কৰে আৰু কেৱল সাক্ষাৎকাৰৰ বাবেহে কোচিং লয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিৰ্বাচিত প্ৰাৰ্থীসকলে কোনবোৰ পাঠ্যক্ৰমত নামভৰ্তি কৰিছে সেইটো পৰীক্ষা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। লক্ষণীয় যে, নতুন নিৰ্দেশনাত কোচিং চেণ্টাৰসমূহক নিজৰ সেৱা, সুবিধা, সম্পদ আৰু আন্তঃগাঁথনি সঠিকভাৱে উপস্থাপন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কোচিং চেণ্টাৰসমূহে তেওঁলোকৰ পাঠ্যক্ৰমসমূহ বৈধভাৱে অনুমোদিত আৰু এআইচিটিই বা ইউজিচিৰ দ্বাৰা অনুমোদিত হোৱাৰ সম্পৰ্কেও স্পষ্ট কৰিব লাগিব। এই নিয়ম উলংঘা কৰিলে যিকোনো কোচিং চেণ্টাৰক গ্ৰাহক সুৰক্ষা আইনৰ অধীনত জৰিমনা বিহা হ'ব। নতুন নিয়মক লৈ ভিন্নজনে সন্তুষ্টি ব্যক্ত কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ওদালগুৰিৰ অৱসৰপ্ৰাপ্ত শিক্ষক দিনেশ চন্দ্ৰ দাসৰ মৃত্যুত শোক

**ই-সংবাদ, ওদালগুৰি, ১৩ নৱেম্বৰঃ** ওদালগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট নাগৰিক তথা শংকৰদেৱ মিছন মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষক দিনেশ চন্দ্ৰ দাস(৬৯)ৰ কালি নিশা ১.৩০ বজাত নিজ বাস ভৱনত আকস্মিকভাৱে পৰলোকপ্ৰাপ্তি ঘটাত ওদালগুৰিত শোকৰ ছাঁ পৰে। ওদালগুৰিৰ বিশিষ্ট সমাজকৰ্মী, ওদালগুৰি শতদল সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰা আৰু শংকৰদেৱ মিছন মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিনেশ চন্দ্ৰ দাসে চাকৰি সূত্ৰে বৰপেটা জিলাৰ ঈশ্বপৰ হাতীৰ পৰা ১৯৭৪ চনৰ ২৬ জুনত আহি শংকৰদেৱ মিছন মধ্য ইংৰাজী বিদ্যালয়ত সহকাৰী হিন্দী শিক্ষক হিচাপে চাকৰিত যোগদান কৰিছিল যদিও পিছলৈ তেওঁ শংকৰদেৱ মিছন হাইস্কুলৰ প্ৰধান শিক্ষক পদলৈ উন্নীত হৈ চাকৰি জীৱনৰ সুদীৰ্ঘ কাল সুখ্যাতিৰে অতিক্ৰম কৰি ২০১৫ চনৰ ৩১ ডিচেম্বৰত অৱসৰ গ্ৰহণ কৰে। তেওঁ বিজ্ঞানৰ ছাত্ৰ হিচাপে বিএছচিত অৱতীৰ্ণ হৈছিল কিন্তু চাকৰিৰ বাবে শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰি পিছত পুনৰ কলা শাখাত শিক্ষা গ্ৰহণ কৰি এম এ, বি বিড সফলতাৰে উত্তীৰ্ণ হয়। তেওঁ চাকৰি জীৱন কালত নিয়মানুৱৰ্তীতাৰে বিদ্যালয়খন অনুশাসনৰ ডোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছিল। তেওঁ বিদ্যালয়খনৰ উন্নয়নৰ কামত মনোনিৱেশ কৰি সময় অতিবাহিত কৰিছিল। বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণৰ পিছতে ওদালগুৰিৰ বিভিন্ন সামাজিক কামত জড়িত হৈ সেৱা আগবঢ়াইছিল। তেওঁ ১৯৮৩, ১৯৮৯ আৰু ১৯90 চনত ওদালগুৰি সাহিত্য সভাৰ সম্পাদক হোৱাৰ উপৰি ২০০৭-২০০৯ বৰ্ষত ওদালগুৰি সাহিত্য সভাৰ পদ অলংকৃত কৰে। এগৰাকী সামাজিক দায়িত্বশীল ব্যক্তি হিচাপে সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সভাপতি, ওদালগুৰি জিলা জ্যেষ্ঠ নাগৰিক সন্থাৰ সম্পাদক, শ্ৰীমন্ত শংকৰদেৱ সত্ৰ পৰিচালনা সমিতিৰ কেইবাবছৰো সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰা দাস অসম সাহিত্য সভাৰ আজীৱন সদস্য পদ গ্ৰহণ কৰিছিল। এগৰাকী সু-লেখক হিচাপে জিলাখনৰ পৰা প্ৰকাশিত বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ আদিত তেওঁৰ লেখা প্ৰকাশ পায়। তেওঁ ওদালগুৰিৰ পৰা প্ৰকাশিত কেইবাখনো স্মৃতিগ্ৰন্থ সম্পাদনা কৰাৰ লগতে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব নিয়াৰিকৈ সম্পন্ন কৰে। সমাজৰ হকে নিষ্ঠা, সততাৰে কাম কৰাৰ বাবে তেওঁক সদৌ ওদালগুৰি ৰঙালী বিহু সন্মিলন, শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱ সমিতি, ওদালগুৰি জিলা সাহিত্য সভা, ওদালগুৰি শতদল সাহিত্য সভা, বাসুদেৱ দাস ন্যাস সমিতি, ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থা আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্ধনা জনায়।

## অবৈধ ব্যৱসায়ীৰে গোপন বুজাপৰা বন বিষয়াৰ

# মান্দাকাটাত সংৰক্ষিত বনাঞ্চলৰ পৰা ট্ৰাকে ট্ৰাকে ৰঙামাটি সৰবৰাহ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৩ নৱেম্বৰঃ** উত্তৰ কামৰূপ বন-সংমণ্ডলৰ অন্তৰ্গত চিলা বন আঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ এলেকাধীন দীৰ্ঘেশ্বৰী আৰু মদনকামদেৱ বীটৰ অন্তৰ্গত বৃহত্তৰ মান্দাকাটা অঞ্চলৰ সংৰক্ষিত বনাঞ্চলত পৰিছে অবৈধ ব্যৱসায়ীৰ হাতোৰা। বন বিভাগৰ দীৰ্ঘেশ্বৰী আৰু মদনকামদেৱ বীটৰ দায়িত্বত থকা বীট বিষয়াগৰাকীৰ সৈতে সু-সম্পৰ্ক থকাৰ সুবাদতে মুষ্টিমেয় কেইগৰাকীমান অসাধু ব্যৱসায়ীয়ে ব্যাপক মাত্ৰাত মান্দাকাটা-সাতগাঁও আৰু কুমনগৰস্থ পাহাৰৰ ৰঙা মাটি খনন আৰু সৰবৰাহ কৰি অহাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগটোত প্ৰকাশ কৰা মতে, উত্তৰ কামৰূপ বন-সংমণ্ডলৰ চিলা বন আঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ এলেকাধীন মান্দাকাটা-সাতগাঁও আৰু কুমনগৰত থকা সেউজ পাহাৰত প্ৰতি নিশাই মাফিয়া কায়দাৰে অবাধে পৈতৃক সম্পত্তিৰ দৰে পাহাৰৰ ৰঙামাটি সৰবৰাহৰ ৰমৰমীয়া ক'লা ব্যাৱসায় চলাই আহিছে দুষ্ট চক্ৰই। চিলা ৰেঞ্জৰ একাংশ বন বিষয়াৰ ছত্ৰছায়াতে পাহাৰৰ ৰঙা মাটিৰপৰা শিললৈ সকলো এফালৰপৰা নিঃশেষ হ'বলৈ ধৰিছে মান্দাকাটাত। ৰঙামাটি খননৰ ক্ষেত্ৰত ১৪৪ ধাৰা জাৰি থকাৰ পিছতো স্বয়ং মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিত্ব কৰা জালুকবাৰী সমষ্টিৰ মান্দাকাটাত অসাধু চক্ৰই দিনে-নিশাই জেচিবি আৰু পকলেণ্ডেৰে পাহাৰৰ ৰঙামাটি কাটি ইখনৰ পিছত সিখন সেউজীয়া পাহাৰ কেনেদৰে ধ্বংস কৰিব পাৰিছে সেয়া এতিয়া গুৰুত্বপূৰ্ণ প্ৰশ্ন হিচাপে বিবেচিত হৈছে। বৰ্তমান মান্দাকাটাৰ পাহাৰসমূহৰ পৰা প্ৰতিনিশাই ৰঙা মাটি কাটি সেই মাটি ডাম্পাৰেৰে বেজেৰা-উত্তৰ গুৱাহাটী গড়কাপ্তানী পথেৰে বিভিন্ন ঠাইলৈ সৰবৰাহ কৰি থকাৰ পিছতো ৰাজ্য চৰকাৰৰ বন বিভাগে সাংঘাতিকভাৱে নিৰৱতা অৱলম্বন কৰা পৰিলক্ষিত হৈছে। সকলোতকৈ আশ্চৰ্যকৰ কথাটো হ'ল এই অবৈধভাৱে ৰঙামাটি সৰবৰাহকাৰীসকলৰ সৈতে দীৰ্ঘেশ্বৰী আৰু মদনকামদেৱ বীটৰ দায়িত্বত থকা বীট বিষয়াগৰাকীৰ আছে অতি ঘনিষ্ঠ সম্পৰ্ক। গোপন বুজাপৰাৰে এই ব্যৱসায়ীসকলক উদগনি দি অহা বীট বিষয়াগৰাকীয়ে ৰঙামাটি খনন আৰু সৰবৰাহৰ সময়ত মোটা অংকৰ বিনিময়ত ৰক্ষণাবেক্ষণ দি আহিছে অসাধু ব্যৱসায়ীসকলক। এই অংকৰ ভাগ বন বিভাগৰ শীৰ্ষ বিষয়াও লাভ কৰি আহিছে বুলি সন্দেহ কৰিছে প্ৰকৃতিপ্ৰেমী ৰাইজে। কাৰণ উত্তৰ কামৰূপ বন সংমণ্ডল বিষয়া চান্নিদেৱ চৌধুৰীক বাৰম্বাৰ অভিযোগ দিয়াৰ পিছতো সকলো ফুটুকাৰ ফেনত পৰিণত হৈছে। ৰাইজৰ ফোন ৰিচিভ কৰিবলৈ আহৰি নোপোৱা বন সংমণ্ডল বিষয়াগৰাকীয়ে বীট বিষয়াগৰাকীৰ জৰিয়তে এই অবৈধ ব্যৱসায়ীসকলৰ লগত যোগসূত্ৰ ৰক্ষা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে একাংশ লোকে। যাৰ বাবে মান্দাকাটাৰ সংৰক্ষিত বনাঞ্চলত দুষ্কৃতিকাৰীৰ হাতোৰা পৰাৰ পিছতো ইয়াৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই উত্তৰ কামৰূপ বন সংমণ্ডল বিষয়াগৰাকীয়ে।



লখিমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ সোণাপুৰত ৰাইজৰ দলৰ বিশাল গণ সমাৰেশ

# আন্ধুপাৰাত ভূমি বিবাদক কেন্দ্ৰ কৰি দুই ফৈদৰ মাৰপিট

**ই-সংবাদ, হাজো, ১৩ নৱেম্বৰঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত আন্ধুপাৰাত সংঘটিত হয় এক প্ৰচণ্ড মাৰপিটৰ ঘটনা। জানিব পৰা মতে, সংখ্যালঘু লোকৰ বসতি প্ৰধান অঞ্চল আন্ধুপাৰাত পূৰ্বৰে পৰা দুটা পৰিয়ালৰ মাজত চলি আছিল ভূমিকেন্দ্ৰিক সংঘাত। এই পৰিয়ালকেন্দ্ৰিক সংঘাতৰ বহিঃপ্ৰকাশ ঘটিল আজি পুৱাৰ ভাগত। হাতত লাঠী-টাঙোন লৈ এটা ফৈদৰ লোকে আক্ৰমণ কৰে আনটো ফৈদৰ লোকক। লগে লগে আনটো ফৈদৰ লোকসকলেও লিপ্ত হৈ পৰে মাৰপিটৰ ঘটনাত। দুই ফৈদৰ আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ফলত এগৰাকী গৰ্ভৱতী মহিলাকে ধৰি চৈধ্য গৰাকীকৈ পুৰুষ-মহিলা আহত হয় এই ঘটনাত। আঘাতপ্ৰাপ্ত আটাইকেইজনকে ততাতৈয়াকৈ হাজো বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত চান্দমিয়া খান আৰু ফাৰুক খান নামৰ দুগৰাকী লোকক চিকিৎসকে সংকটজনক অৱস্থাত গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। হাজো আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# বঙাইগাঁৱত অভিলেখ সংখ্যক ৭২ শতাংশ ভোটদান

**ই-সংবাদ, বঙাইগাঁও, ১৩ নৱেম্বৰঃ** ৰাজ্যৰ আন চাৰি সমষ্টিৰ দৰেই বঙাইগাঁও সমষ্টিত আজি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ অনুষ্ঠিত হয়। পুৱা ৭ বজাৰ পৰা ভোটাৰে শাৰী পাতি ভোট দিবলৈ ওলাই অহা পৰিলক্ষিত হয়। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে বঙাইগাঁৱত ২৪৬টা ভোট কেন্দ্ৰত আজি বঙাইগাঁও সমষ্টিত ১,৮২,৩৫৪ গৰাকী ভোটাৰে ভোটদান কৰে। দুই এঠাইত ভোটগ্ৰহণত কিছু বিলম্ব হোৱাৰ বাহিৰে সমষ্টিটোত শান্তিপূৰ্ণ ভাবে ভোটদানৰ হৈ যায়। ৭২ শতাংশ ভোটেৰে ভোটাধিকাৰ সাব্যস্ত কৰে। অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই বুলি জানিব পৰা গৈছে। সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। বঙাইগাঁও চহৰত ভোটদানৰ হাৰ কিছু কমিছে যদিও চহৰত ভোটদানৰ হাৰ কম হৈছে। গাঁও অঞ্চলত ৰাইজৰ ব্যাপক হাৰত ওলাই আহি ভোট কেন্দ্ৰসমূহত পুৱাৰে পৰা ভোটদান কৰিছে। বঙাইগাঁও বিধানসভা সমষ্টিৰ মিত্ৰদলৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰী আৰু সাংসদ ফণীভূষণ চৌধুৰীয়ে চহৰৰ বীৰঝৰা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় ভোট কেন্দ্ৰত ভোটদানৰ কৰে। একেদৰে কংগ্ৰেছ দলৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহই সাত নং পোপৰাগাঁও প্ৰাথমিক বিদ্যালয়ত থকা ১৪নং ভোট কেন্দ্ৰত ভোট প্ৰদান কৰে। মিত্ৰজোঁটৰ প্ৰাৰ্থী আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ মাজত মূল যুঁজখন হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত উপ-নিৰ্বাচনত অতি কম ভোটৰ ব্যৱধানত প্ৰাৰ্থীগৰাকী জয়ী হোৱাৰ সম্ভাৱনা প্ৰকট হৈছে। ভোট গ্ৰহণৰ অন্তত নিৰাপত্তাৰ মাজেৰে ইভিএম মেচিনসমূহ বঙাইগাঁও কলেজত স্থাপন কৰা কেন্দ্ৰত জমা কৰিছে পলিং আৰু প্ৰিজাইডিং বিষয়াসকলে। ষ্ট্ৰং ৰুমত ইভিএম মেচিনসমূহ সুৰক্ষিতভাৱে ৰক্ষাৰ ব্যৱস্থা কৰিছে জিলা প্ৰশাসনে।




মাজুলীৰ ৬৫খন ৰাস সমিতিলৈ আৰ্থিক অনুদানৰ চেক প্ৰদান মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ

## শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ ব্যতিক্ৰমী কাৰ্যসূচী

# মৰিগাঁও অভ্যসন প্ৰাথমিক বিদ্যালয়ৰ উদ্যোগত বস্ত্ৰ বিতৰণ

**ই-সংবাদ, মৰিগাঁও, ১৩ নৱেম্বৰঃ** সমাজৰ আৰ্থিকভাৱে অনগ্ৰসৰ লোকসকলক শিশু কালৰ পৰাই সহায় আগবঢ়োৱাৰ মানসিকতা গঢ় দিয়াৰ উদ্দেশ্যে মৰিগাঁও অভ্যসন প্ৰাথমিক বিদ্যালয়ৰ উদ্যোগত আজি বস্ত্ৰ বিতৰণৰ এক ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাইলৈৰ শিশু দিৱসৰ সৈতে সংগতি ৰাখি আজি বিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ উপস্থিতিত অনুষ্ঠিত 'কিঞ্চিত সহাৰি' শীৰ্ষক এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া অপূৰ্ব ঠাকুৰীয়াই। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দেৱযানী মহন্তই আঁত ধৰা এই অনুষ্ঠানত শিক্ষা বিষয়াগৰাকীয়ে উপস্থিত কেইবাগৰাকী লোকক একোখনকৈ গামোচাৰে সম্ভাষণ জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যোগাৰ কৰা প্ৰয়োজনীয় কাপোৰ বিতৰণ কৰে। অনুষ্ঠানত অৰ্ধশতাধিক আৰ্থিকভাৱে পিছপৰা লোকক বস্ত্ৰ বিতৰণ কৰা হয়। ইফালে, জিলা প্ৰাথমিক শিক্ষা বিষয়া ঠাকুৰীয়াই বিদ্যালয়খনে আয়োজন কৰা এই মহৎ কাৰ্যৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ জিলাখনৰ আন বিদ্যালয় সমূহেও এনে কাৰ্যসূচী গ্ৰহণ কৰাৰ পোষকতা কৰে। "কিঞ্চিত সঁহাৰি" শীৰ্ষক অনুষ্ঠানৰ জৰিয়তে কণ কণ ছাত্ৰ-ছাত্ৰীসকলে শৈশৱৰ পৰাই মানৱ সেৱাৰ প্ৰতি আকৃষ্ট হ'ব বুলিও মতপোষণ কৰে। অনুষ্ঠানত বিদ্যালয়খনৰ শিক্ষাগুৰু, বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া, সংলগ্ন অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী হিমাদ্ৰী ডেকাকে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে। উল্লেখ্য যে কাইলৈ বিদ্যালয়খনত বৰ্ণাঢ্য কাৰ্যসূচীৰে শিশু দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে।

# কপাহবাৰী গাঁও পঞ্চায়তৰ সচিবৰ বিৰুদ্ধে অনিয়মৰ অভিযোগ

**ই-সংবাদ, মোৰাঝাৰ, ১৩ নৱেম্বৰঃ** হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত কপাহবাৰী গাঁও পঞ্চায়তত চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ ধনত ব্যাপক অনিয়ম সংগঠিত হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বিভিন্ন কামৰ বাবে মঞ্জুৰ হোৱা চৰকাৰী ধন ব্যৱহাৰ কৰাত পঞ্চায়তৰ সচিব ৰফিকুল ইছলামে বহু অনিয়ম আৰু দুৰ্নীতি কৰি অহাৰ ৰাজহুৱা অভিযোগ উঠিছে। পঞ্চায়তৰ বহু কামৰ প্ৰায় ৩/৪ বছৰ পূৰ্বে আবণ্টিত হোৱা ধন বৰ্তমানো বেংকত জমা হৈ থকা স্বত্বেও বৰ্তমানলৈকে কোনো কাম কৰা নাই। আনহাতে, কিছু কামৰ বাবে আবণ্টন পোৱা ধনৰ কেৱল মাত্ৰ ২০/২৫ শতাংশ ধন খৰচ কৰি নামমাত্ৰ কাম কৰি বাকী টকা আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। আন বহু কামৰ আবণ্টিত সৰ্বমুঠ ধন মোকলাই কোনোধৰণৰ কাম নকৰাকৈ সম্পূৰ্ণ টকা আত্মসাৎ কৰাৰো অভিযোগৰ কথা উল্লেখ কৰা হৈছে। পঞ্চায়তৰ নীতি মতে, প্ৰতিটো কাম সূচাৰুৰূপে পৰিচালনা কৰাৰ বাবে স্থানীয় লোকৰ দ্বাৰা এখন কমিটী গঠন কৰা হয় আৰু পঞ্চায়তৰ সচিব কমিটিৰ স্থায়ী সম্পাদক হয়। পিছে সচিবগৰাকীয়ে কমিটীৰ Chairman আৰু সদস্যসকলৰ লগত প্ৰতাৰণা কৰি নানা অজুহাত দেখুৱাই উকা চেকত চেয়াৰমেনৰ চহী লয় আৰু পিছত চেকৰ জৰিয়তে চৰকাৰী আঁচনিৰ ধন মোকলাই আত্মসাৎ কৰে। সচিবগৰাকীৰ সৈতে পঞ্চায়তৰ প্ৰাক্তন সভাপতি কবিৰ আহমেদৰ কমিচনৰ বুজাবুজি আছে আৰু একাংশ দালাল প্ৰকৃতিৰ লোকৰ এটা বৃহৎ চক্ৰ আছে লগতে উক্ত চক্ৰটোৰ সহযোগত দীৰ্ঘদিনৰ পৰা সচিবগৰাকীয়ে চৰকাৰী ধনত কমিচনৰাজ চলাই অহা বুলি অভিযোগ পত্ৰত উল্লেখ কৰে। পঞ্চদশ বিত্তীয় আয়োগৰ কামৰ আঁচনিবোৰত কোনো গাঁওসভা অনুষ্ঠিত নকৰাকৈ নিজাববীয়াকৈ তালিকা প্ৰস্তুত কৰি বিভাগীয় কৰ্তৃপক্ষৰ পৰা অনুমোদন লাভ কৰাও বুলি উল্লেখ কৰে। মুঠতে কপাহবাৰী গাঁও পঞ্চায়তৰ যাৱতীয় কামৰ তদন্ত কৰাৰ দাবী জনাই স্থানীয় সচেতন যুৱক বাহাৰ উদ্দিনে বিন্নাকান্দি খণ্ড উন্নয়ন বিষয়াৰ ওচৰত অভিযোগ দাখিল কৰিছে।

# চিবিআইৰ জালত ধুবুৰী ট্ৰেডিং কেলেংকাৰিৰ মূল অভিযুক্ত অধ্যক্ষ দীনেশ

**ই-সংবাদ, গোলকগঞ্জ, ১৩ নৱেম্বৰঃ** ধুবুৰী জিলাত ছেবিৰ অনুজ্ঞাপত্ৰ বিহীনভাৱে অবৈধ অনলা ইন ট্ৰেডিঙৰ ব্যৱসায় চলাই দীৰ্ঘদিনৰ পৰা পলাই ফুৰা দীনেশ চন্দ্ৰ ৰায় অৱশেষত আজি চিবিআইৰ জালত পৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। দীনেশ চন্দ্ৰ ৰায় হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ। জানিব পৰা মতে, টাইটানছ মাৰ্কেটিং, ইউবিট মাৰ্কেটছ, ক্ৰাউড ৰান মাৰ্কেটিং আদি অনলাইন ট্ৰেডিং কোম্পানীৰ নামত এমাহত দুগুণ ধনৰ প্ৰলোভন দি একাংশই বিভিন্ন জনৰ পৰা ধন সংগ্ৰহ কৰে। ইয়াক কেন্দ্ৰ কৰি ধুবুৰীৰ কুতুব উদ্দিন আহমেদ নামৰ এজন ভুক্তভোগীয়ে ৰূপসী দাওভাংগীৰ শংকৰ কুমাৰ বিশ্বাসৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। উক্ত গোচৰৰ ভিত্তিত ধুবুৰী আৰক্ষীয়ে বিশ্বাসক গ্ৰেপ্তাৰ কৰে। বিশ্বাসৰ স্বীকাৰোক্তিৰ ভিত্তিত তিনি ছেপ্টেম্বৰৰ পুৱতি নিশা ধুবুৰী আৰক্ষী আগমনি আৰক্ষীৰ সহযোগত কালডোবা তৃতীয় খণ্ড গাঁৱৰ পৰা ৰফিকুল ইছলামক গ্ৰেপ্তাৰ কৰে। পাঁচ ছেপ্টেম্বৰৰ নিশা ক্ৰাউড ৰান নামৰ ট্ৰেডিং কোম্পানীৰ নামত ধন সংগ্ৰহৰ অভিযোগত সোণাখুলি প্ৰথম খণ্ড গাঁৱৰ আনছাৰ আলীক গ্ৰেপ্তাৰ কৰে। আনছাৰক ক্ৰাউড ৰানৰ এজেন্ট হিচাপে নিযুক্তি দিয়ে হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীনেশ চন্দ্ৰ ৰায়ে। ৰায়ৰ দুজনকৈ এজেন্ট গ্ৰেপ্তাৰ হয় যদিও আৰক্ষীৰ চকুত ধুলি দি পলায়ন কৰে দীনেশ চন্দ্ৰ ৰায়। যোৱা এঘাৰ অক্টোবৰত অসমৰ ৪১টা ট্ৰেডিং প্ৰৱঞ্চনাৰ গোচৰ অসম চৰকাৰৰ গৃহ বিভাগৰ অনুৰোধ মৰ্মে কেন্দ্ৰীয় কৰ্মচাৰী ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰালয়ে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইক প্ৰদান কৰে। দীৰ্ঘদিন ধৰি পলায়ন কৰি আছিল যদিও কালি হঠাতে দীনেশ চন্দ্ৰ ৰায় অজ্ঞাত স্থানৰ পৰা পোকালাগী পঞ্চম খণ্ড গাঁৱত থকা ঘৰত অহাৰ পিছতে আজি বিয়লি তদন্তকাৰী সংস্থা চিবিআয়ে সদলবলে ঘৰখনত উপস্থিত হৈ ৰায়ক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰি পোনে পোনে ধুবুৰী লৈ নিয়ে। আনহাতে, পাঁচ ছেপ্টেম্বৰৰ নিশা গোলকগঞ্জ থানাৰ অন্তৰ্গত বতুৰাতলী গাঁৱৰ পৰা ইউবিট মাৰ্কেটছ নামৰ অনলাইন ট্ৰেডিং ব্যৱসায়ত জড়িতৰ অভিযোগত গোলকগঞ্জ আৰক্ষীয়ে আনোৱাৰ হুছেইনক গ্ৰেপ্তাৰ কৰে। পাগলাহাটৰ আশিষ সৰকাৰ আৰু সাহেবগঞ্জৰ নুৰ মহম্মদে আনোৱাৰক ইউবিটছ মাৰ্কেটিং নামৰ অনলাইন ট্ৰেডিঙৰ এজেন্ট প্ৰদান কৰা বুলি আৰক্ষীৰ আগত স্বীকাৰোক্তি দিয়ে। ইয়াৰ পিছতে অৱশ্যে দুয়োজনে পলায়ন কৰে। এওঁলোক দুজনকো তদন্তকাৰী সংস্থাই বিচাৰি আছে যদিও অদ্যপি সন্ধান উলিয়াব পৰা নাই।

# মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ

**ই-সংবাদ, মুছলপুৰ, ১৩ নৱেম্বৰঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ শিক্ষানুষ্ঠানৰ লেখিয়াকৈ অসম চৰকাৰৰ আহ্বানমৰ্মে বাক্সা জিলাৰ বৃহত্তৰ মুছলপুৰ অঞ্চলৰ ১৯৫৪ চনতে স্থাপিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰাও এখন প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ অনুষ্ঠিত কৰাৰ বাবে ব্যাপক যো-জা চলোৱা পৰিলক্ষিত হৈছে। সেই উদ্দেশ্যে বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ কুঞ্জ লহকৰক সভাপতি আৰু ড° উৎপল ডেকাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন সমাৰোহ পৰিচালনা সমিতি গঠন কৰি সমিতি পঞ্জীয়ন, বেংক একাউন্ট খোলা আদি প্ৰাথমিক কাম-কাজসমূহ সম্পন্ন কৰা হৈছে। মঙলবাৰে সমাৰোহৰ তাৰিখ আৰু ভৱিষ্যত কাৰ্যপন্থা নিৰ্ধাৰণৰ বাবে বিদ্যালয়খনৰ একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত পুনৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ পৰিচালনা সমিতিৰ উপ-সভাপতি কুশল কুমাৰ হাঁলৈৰ সভাপতিত্বত অনুষ্ঠিত আজিৰ সভাৰ আঁত ধৰে পৰিচালনা সমিতিৰ সম্পাদক ড° উৎপল ডেকাই। সভাত সমাৰোহৰ তাৰিখ নিৰ্ধাৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ সিদ্ধান্ত অনুসৰি আগন্তুক ২০২৫ ইং বৰ্ষৰ ১৯ আৰু ২০ এপ্ৰিল তাৰিখত দুদিনীয়া কাৰ্যসূচীৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়নৰ বাবদ এশ টকাকৈ লোৱাৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে পিছত পূৰ্ণাংগ সমিতি গঠনৰ সুবিধা ৰাখি নিকুঞ্জ কলিতাক সম্পাদক, সুৰথ ডেকা, দীপাংকৰ বৰুৱা, বন্তিৰেখা ৰয় আৰু প্ৰভা ব্ৰহ্মক সদস্য হিচাপে লৈ সমাৰোহত প্ৰকাশিত হ'ব লগা মুখপত্ৰৰ প্ৰাথমিক কাম-কাজ আগুৱাই নিবলৈ দায়িত্ব প্ৰদান কৰে। আজিৰ সভাই অহা ৮ ডিচেম্বৰত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সামৰি পুনৰ এখন সাধাৰণ সভা অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। উক্ত সভাত যাতে গৰিষ্ঠসংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে তাৰ বাবে বিভিন্ন মাধ্যমৰ যোগেদি ব্যাপক প্ৰচাৰৰ ব্যৱস্থা লোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে আজিৰ সভাই ৮ ডিচেম্বৰত অনুষ্ঠিত হ'ব লগা সাধাৰণ সভাত ভিন্ন প্ৰান্তত থকা সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক উপস্থিত থাকিবলৈ আহ্বান জনোৱাৰ লগতে পৰিচালনা সমিতিৰ নামত থকা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ মুছলপুৰ শাখাৰ00000043442094703 (IFSC- SBIN0005243)নং বেংক একাউণ্টত এশ টকাকৈ জমা কৰি নিজকে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহৰ একোগৰাকী সদস্য হিচাপে থাকি আগন্তুক সমাৰোহখন সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনোৱাৰ লগতে সমাৰোহৰ যিকোনো বিষয়ে জানিবলৈ মোবাইল নম্বৰ ৯৩৮৭০৯০৬৩৯ জৰিয়তে সম্পাদকৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে ।

# অগপৰ তিনিচুকীয়া সমষ্টি ভিত্তিক দলীয় কৰ্মশালা সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ১৩ নৱেম্বৰঃ** আঞ্চলিক দল অসম গণ পৰিষদৰ তিনিচুকীয়া বিধানসভা ভিত্তিক এখন দলীয় কৰ্মশালা আজি দলটোৰ তিনিচুকীয়া চহৰৰ এছ আৰ লোহিয়া পথস্থিত জিলা সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। কৰ্মশালাত লিখিত প্ৰতিবেদন পাঠ কৰে সমষ্টি সমিতিৰ সম্পাদক ইমৰাণ হুছেইনে। সমষ্টি সমিতিৰ সভাপতি মৃণাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাত তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰবীণ দত্তই আদৰণি বক্তব্য প্ৰদান কৰে। কৰ্মশালাত "অসম আন্দোলন আৰু অসম গণ পৰিষদ দলৰ ৰাজনৈতিক বিৱৰ্তন" শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰে ৰূপম কাকতিয়ে। "সাম্প্ৰতিক ৰাজনীতিত আঞ্চলিক ৰাজনৈতিক দলৰ গুৰুত্ব" শীৰ্ষক বিষয়ত বক্তব্য প্ৰদান কৰে অসম গণ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি দিগন্ত শইকীয়াই। কৰ্মশালাত অগপৰ সাধাৰণ সম্পাদক জ্যোতিমণি মৰাণ, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি আদিত্য গোস্বামী, কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক স্বপন মজুমদাৰে দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ দলীয় সদস্যসকলক আহ্বান জনায়।

# তামুলপুৰত পথ সুৰক্ষা সম্পৰ্কীয় সজাগতা কাৰ্যসূচী

ই-সংবাদ, তামুলপুৰ, ১৩ নৱেম্বৰঃ আজি আবেলি তামুলপুৰ জিলাৰ মটঙা চ'কত জিলা পথ সুৰক্ষা সমিতি আৰু তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তথা বিনায়ক হোণ্ডাৰ সহযোগত পথ সুৰক্ষা সম্পৰ্কীয় এক কাৰ্যসূচী অনুষ্ঠিত হয়। বিশেষকৈ দুচকীয়া বাহনৰ চালকৰ বাবে হেলমেট পৰিধান কৰাটো কিমান সুৰক্ষিত, সেই সম্পৰ্কে সজাগতা বৃদ্ধি কৰাৰ বাবেই আজিৰ কাৰ্যসূচী অনুষ্ঠিত হয়। যিসকল চালকে হেলমেট পৰিধান কৰিছে, তেওঁলোকক প্ৰশাসনৰ তৰফৰ পৰা একোপাহ গোলাপ ফুল আৰু কলম একোটা উপহাৰ হিচাপে প্ৰদান কৰা হয়। যিসকল চালকে হেলমেট পৰিধান কৰা নাই, তেওঁলোকক হেলমেট পৰিধান কৰাটো নিজৰ বাবেই কিমান নিৰাপদ, সেই সম্পৰ্কে সজাগ কৰি দিয়াৰ উপৰি নিয়ম অনুসৰি জৰিমনা বিহা হয়। ছাত্ৰ-ছাত্ৰীসকল যাতে হেলমেট পিন্ধাৰ ক্ষেত্ৰত বিশেষভাৱে সজাগ হয়, তাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় কেবাখনো স্কুলৰ ছাত্ৰ-ছাত্ৰীকো এই সজাগতামূলক কাৰ্যসূচীত অংশগ্ৰহণ কৰোৱা হয়। আজিৰ কাৰ্যসূচীত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী, উক হোণ্ডাৰ সঞ্চালক সঞ্জয় লাখতীয়াৰ উপৰি স্থানীয় কেবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ‘ধৰ্মক কেতিয়াও ৰাজনীতিৰ মাজলৈ আনিব নালাগে’

# অধ্যাপক শৰৎ মহন্ত স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন



ই-সংবাদ, শিৱসাগৰ, ১৩ নৱেম্বৰঃ "ধৰ্ম বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। বিশ্বাসৰ লগতে ইয়াত বিজ্ঞানো আছে। ধৰ্ম মানুহৰ বাবে, মানুহ কেতিয়াও ধৰ্মৰ বাবে নহয়। ধৰ্মক মানুহৰ উপকাৰৰ বাবে, আধ্যাত্মিকতাৰ বাবে ব্যৱহাৰ কৰিব লাগে। ধৰ্মক কেতিয়াও ৰাজনীতিৰ মাজলৈ আনিব নালাগে।"- আজি শিৱসাগৰ বিশ্ববিদ্যালয়ৰ চৌহদত অনুষ্ঠিত "নৱম সংখ্যক অধ্যাপক শৰৎ মহন্ত স্মাৰক বক্তৃতানুষ্ঠানত এই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে ডিব্ৰুগড় আৰু শিৱসাগৰ বিশ্ববিদ্যালয় উপাচাৰ্য ড° জিতেন হাজৰিকাই। শিৱসাগৰ প্ৰেছ ক্লাবৰ উদ্যোগত তথা বিশ্ববিদ্যালয়খনৰ সহযোগত অনুষ্ঠিত স্মাৰক বক্তৃতানুষ্ঠানটোত "সাম্প্ৰতিক প্ৰেক্ষাপটত সমাজ আৰু শিক্ষা ব্যৱস্থাত আধুনিক প্ৰযুক্তি" শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি উপাচাৰ্যগৰাকীয়ে লগতে লগতে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ অবিহনে সাম্প্ৰতিক সমাজ আৰু শিক্ষা ব্যৱস্থা বৰ্তি থাকিব নোৱাৰে বুলি মন্তব্য কৰে। সমাজত দেখা দিয়া প্ৰযুক্তিৰ বিৰূপ প্ৰভাৱৰ সন্দৰ্ভতো উপাচাৰ্য ড° হাজৰিকাই গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়।। তেখেতে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ লগত মূল্যবোধৰ সংযোগ কৰিলে সমাজ আৰু শিক্ষা ব্যৱস্থা ইয়াৰ অপকাৰী দিশৰ পৰা ৰক্ষা পৰিব আৰু আমি বিচৰা লক্ষ্যত অতি সহজেই উপনীত হ'ব পাৰিম বুলি উল্লেখ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বৰগীত পৰিৱেশন কৰে শিল্পী প্ৰত্যাশী কলিতাই। তাৰ পিছতে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ বেজবৰুৱা প্ৰেক্ষাগৃহত বন্তি প্ৰজ্বলনেৰে অধ্যাপক শৰৎ মহন্ত স্মাৰক বক্তৃতানুষ্ঠানৰ উদ্বোধন কৰে উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষীকান্ত মহন্তই। তেওঁ প্ৰয়াত শৰৎ মহন্তৰ সৃষ্টি ৰচনা সম্ভাৰে সমাজখনক যথেষ্ট সমৃদ্ধ কৰি থৈ যোৱাৰ লগতে শিক্ষাৰ পোহৰ বিলাই, মানৱ সম্পদ গঢ় দি মহান অৱদান আগবঢ়াই যোৱাৰ কথা উল্লেখ কৰে। শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি, গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট নিবন্ধকাৰ ড° সব্যসাচী মহন্তৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনত প্ৰয়াত শৰৎ মহন্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° প্ৰফুল্ল চন্দ্ৰ কলিতা, শৰৎ মহন্তৰ সহধৰ্মিনী মীনা মহন্তকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে। শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ড° উৎপল দত্তই আঁত ধৰা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰি ড° সব্যসাচী মহন্তই তেওঁৰ পিতৃ শৰৎ মহন্তৰ কৰ্মৰাজিক সুঁৱৰি কয় যে তেওঁ শিৱসাগৰৰ সমাজ জীৱনৰ এক সেৱক আৰু সমাজহিতিষী ব্যক্তি আছিল। তেওঁৰ কৰ্মৰাজিক জীয়াই ৰখাৰ মানসেৰে শিৱসাগৰ প্ৰেছ ক্লাব আৰু শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পৰিয়ালে ধাৰাবাহিকভাৱে স্মাৰক বক্তৃতানুষ্ঠান ঐকান্তিক আৰু আন্তৰিক প্ৰয়াসেৰে আয়োজন কৰি অহাত শলাগ জ্ঞাপন কৰে। শুভেচ্ছামূলক বক্তব্যত শিৱসাগৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° প্ৰফুল্ল চন্দ্ৰ কলিতাই প্ৰতিখন ঘৰতেই নিজৰ সন্তানক উপযুক্ত শিক্ষাৰ লগতে আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰিলেহে সেই ঘৰৰ সন্তান ভৱিষ্যত দিনত এগৰাকী সফল ব্যক্তিৰূপে পৰিচিত হ'ব পাৰে। অধ্যাপক শৰৎ মহন্তক স্মৃতিচাৰণ কৰি তেওঁলোকৰ পৰিয়ালটোৰ সন্দৰ্ভত আলোকপাত কৰাৰ লগতে তেখেতৰ সহধৰ্মিনী আৰু তিনি সন্তানে শৰৎ মহন্তক প্ৰতিবছৰে শ্ৰদ্ধাঞ্জলি জনাই এটা বিশেষ বিষয়ত বক্তৃতাৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পোহৰ বিলোৱা কৰ্মক শলাগ লয়। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰতিবছৰৰ দৰে এইবাৰো অধ্যাপক শৰৎ মহন্ত সোঁৱৰণী মেধা বৃত্তি আনুষ্ঠানিক ভাৱে প্ৰদান কৰে ৰংপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰী অনুৰাধা দত্তক। ড° সব্যসাচী মহন্তই আঁত ধৰা এই বৃত্তি প্ৰদান অনুষ্ঠানত মেধাৱী ছাত্ৰীগৰাকীক পৰিয়ালৰ তৰফৰ পৰা অভিনন্দন পত্ৰ, গ্ৰন্থৰ টোপোলা আৰু নগদ ধন প্ৰদান কৰা হয়। ইফালে একেটা অনুষ্ঠানতেই শিৱসাগৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ চন্দ্ৰ দাস আৰু ড° ৰীতামণি বৰাই আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত আদৰ্শ মাতৃ তথা চুটিছবি নিৰ্মাতা মীনা মহন্ত, বিশিষ্ট উদ্যোগপতি তথা উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্ত, অসম আৰক্ষীৰ উপ-মহাপৰিদৰ্শক ড° পাৰ্থসাৰথি মহন্তক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনাত প্ৰশস্তি পত্ৰ, চেলেং, গামোচাৰ লগতে এটি স্মাৰক প্ৰদান কৰা হয়। ফিৰোজ আহমেদে শলাগ জ্ঞাপন কৰা আজিৰ এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিৱসাগৰ জিলা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা, বিদ্যালয়সমূহৰ পৰিদৰ্শক দেৱজ্যোতি গগৈ, শিৱসাগৰ জিলা উন্নয়ন আয়ুক্ত সমীৰণ বৰা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকন, জেষ্ঠ্য সাংবাদিক ভৈৰৱ মুণ্ডা, শিৱসাগৰ ই-মিডিয়া সংস্থাৰ যুটীয়া সম্পাদক প্ৰদীপ গগৈ, মুজ্জাকিৰ আহমেদ, আটাছুৰ সভাপতি বসন্ত গগৈ, শিৱসাগৰ প্ৰেছ ক্লাবৰ উপ সভাপতি অতনু বৰাসহ সমূহ বিষয়ববীয়া তথা সদস্য আৰু বহু সংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে

# পুনৰ ছয় বাংলাদেশীক আটক

**ই-সংবাদ, ১৩ নৱেম্বৰঃ** বৰাক উপত্যকাত অবৈধভাৱে প্ৰৱেশ কৰা বাংলাদেশী নাগৰিকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে অসম আৰক্ষীয়ে। বিগত কেইবাটাও দিনৰ ভিতৰত বৰাক উপত্যকাৰ কৰিমগঞ্জত কেইবাজনো বাংলাদেশী নাগৰিকক গ্ৰেপ্তাৰ কৰাৰ পাছতে আজি পুনৰ ছয়জনকৈ বাংলাদেশী নাগৰিকক আটক কৰিবলৈ সক্ষম হৈছে অসম আৰক্ষী। কৰিমগঞ্জ জিলাত বাংলাদেশী নাগৰিক তাৰিক আনোৱাৰ, দয়াল মল, মনু মল, শ্বাহজাহান মিঞা, জয়নাব চাপুৰিয়া আৰু খালিমুৰ মলক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। চোৰাংচোৱাৰ প্ৰতিবেদনৰ ভিত্তিত অভিযান চলাই আটক কৰা হৈছে। চোৰাংচোৱাৰ খবৰৰ ভিত্তিত বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত অভিযান চলাইছিল আৰক্ষীয়ে। অভিযানৰ সময়ত ছয়গৰাকী লোকে বাংলাদেশ সীমান্ত পাৰ হৈ অসমৰ ভুমিত প্ৰৱেশ কৰি কৰমিগঞ্জ চহৰলৈ অহাৰ পৰিকল্পনা কৰি থকাৰ সময়তে কৰিমগঞ্জ আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়।

# মৰিগাঁৱ জিলাৰ ৰাস সমিতিসমূহলৈ চেক বিতৰণ

**ই-সংবাদ, লাহৰীঘাট, ১৩ নৱেম্বৰঃ** স্থানীয় সাংস্কৃতিক পৰম্পৰা সংৰক্ষণ আৰু উদযাপনৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মৰিগাঁও জিলা প্ৰশাসনে বিভিন্ন ৰাস সমিতিলৈ আৰ্থিক সাহায্য বিতৰণ কৰে। জিলা আয়ুক্তৰ সভাকক্ষত আনুষ্ঠানিক চেক বিতৰণ অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশিষ শৰ্মা আৰু অতিৰিক্ত জিলা আয়ুক্ত ড০ সংগীতা বৰঠাকুৰে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ৰাস সমিতিৰ সভাপতি আৰু সম্পাদকসকলক ২৫ হাজাৰ টকাৰ চেক প্ৰদান কৰে। জিলা আয়ুক্তগৰাকীয়ে সভাত স্থানীয় ৰীতি-নীতি সজীৱ কৰি ৰখাৰ ক্ষেত্ৰত ৰাস সমিতিসমূহক নিষ্ঠা আৰু প্ৰচেষ্টাৰ বাবে প্ৰশংসা কৰে। ৰাস সমিতিসমূহৰ সভাপতি আৰু সম্পাদকসকলে জিলা প্ৰশাসনৰ সহায়ৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে এনে পদক্ষেপৰ জৰিয়তে স্থানীয় ঐতিহ্য ৰক্ষা আৰু সাম্প্ৰদায়িক সম্প্ৰীতি গঢ়ি তোলাৰ বাবে প্ৰশাসনৰ প্ৰচেষ্টাৰ শলাগ লয়।

# বিদ্যাজ্যোতি একাডেমীত চতুৰ্থ বাৰ্ষিক অধিৱেশনআৰু বঁটা বিতৰণী সভা

**ই-সংবাদ, মুকালমুৱা, ১৩ নৱেম্বৰঃ** নলবাৰী জিলাৰ মুকালমুৱা অঞ্চলৰ আগশাৰীৰ ব্যক্তিগত শিক্ষানুষ্ঠান বিদ্যাজ্যোতি একাডেমীত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় চতুৰ্থ বাৰ্ষিক অধিৱেশন আৰু বঁটা বিতৰণী সভা। এই উপলক্ষে প্ৰথম কাৰ্যসূচী অনুসৰি, পুৱা ৮ বজাত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য আমজাদ আলীৰ দ্বাৰাই পতাকা উত্তোলন, ৯ বজাত শ্বহীদ তৰ্পণ কৰা হয়। শ্বহীদ তৰ্পণ কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিকক মছলেম উদ্দিন আহমদে। ১১ বজাত মুকলি সভা অনুষ্ঠিত কৰা হয়। ঘোগা গাঁৱৰ ৰাজ্যিক বঁটাপ্ৰাপ্ত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছফিকুল হুছেইন শইকীয়াই সভাপতিত্ব কৰা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক আব্দুল মতলিব, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক আব্দুল মতিন চৌধুৰী। লগতে উপস্থিত থাকে বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, বহু কেইগৰাকী বিশিষ্ট শিক্ষাবিদ, গণ্যমান্য ব্যক্তি। সভাত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ বিবেচিত হোৱা প্ৰতিযোগীক বঁটা আৰু প্ৰসংশা পত্ৰ প্ৰদান কৰা হয়। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশিত বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচীয়ে সভাখন জীপাল কৰি তোলে।

# মাজুলীৰ ৬৫খন ৰাস সমিতিলৈ আৰ্থিক অনুদানৰ চেক প্ৰদান মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ

**ই-সংবাদ, মাজুলী, ১৩ নৱেম্বৰঃ** ৰাসক বাদ দিলে মাজুলী আধৰুৱা হ'ব। সেইকাৰণে মাজুলীত ৰাসৰ মদকতা এনেকুৱা পৰ্যায়লৈ গ'ল প্ৰতিগৰাকী লোকে বছৰটো সেই বিশেষ দিনকেইটালৈ অপেক্ষা কৰি থাকে। অসম, ভাৰত তথা বিশ্বৰ বিভিন্ন প্ৰান্তৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিল মাজুলীৰ ৰাস। এতিয়া মাজুলীৰ য'লৈকে যাওঁ কেৱল ৰাসময় এক পৰিৱেশ বিৰাজ কৰিছে। আমাৰ কাৰণে এইটো এটা গৌৰৱৰ বিষয় যে এই সংস্কৃতি আমাৰ মাজুলীয়ে সুন্দৰকৈ ধৰি ৰাখিছে। যাক ভৱিষ্যতৰ দিনতো আৱহমান গতিৰে লৈ যোৱাটো আমাৰ সকলোৰে দায়িত্ব।- এই মন্তব্য ৰাজ্যৰ জনস্বাস্থ্য আৰু কাৰিকৰী, পৰ্যটন তথা অন্যান্য দপ্তৰৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ। আজি মাজুলীৰ কমলাবাৰীস্থিত সাংস্কৃতিক কেন্দ্ৰৰ প্ৰেক্ষাগৃহত মাজুলী ৰাস মহোৎসৱৰ আয়োজক সমিতিসমূহলৈ অসমৰ সাংস্কৃতিক বিভাগ আৰু পৰ্যটন বিভাগৰ বিশেষ বিত্তীয় অনুদান বিতৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী বৰুৱাই এনেদৰে কয়। তেওঁ আৰু কয় যে মাজুলীত সকলো জাতি-জনগোষ্ঠীয়ে মিলি যি ধৰণে ৰাসোৎসৱ উদযাপন কৰে, সেয়া ৰাজ্যখনৰ বাবেই শুভ বাৰ্তা। অসমৰ পৰম্পৰাসমূহ চলাই নিবৰ কাৰণে আমাৰ চৰকাৰে কাম কৰি আহিছে। এইবাৰ ৰাস মহোৎসৱতো অসমৰ প্ৰায় দুহেজাৰতকৈ অধিক ৰাস উদযাপন সমিতিক ২৫ হাজাৰকৈ টকা পৰ্যটন বিভাগে দিয়াৰ প্ৰদক্ষেপ লৈছো। মাজুলীৰ ৰাস মহোৎসৱ ৰাজ্যৰ আন স্থানসমূহৰ তুলনাত অনন্য। এই মহোৎসৱ ভাগি প্ৰসাৰৰ বাবে আমাৰ চৰকাৰে প্ৰদক্ষেপ গ্ৰহণ কৰি আহিছে। এই বৰ্ষতো মুখ্যমন্ত্ৰীৰ প্ৰচেষ্টাত মাজুলীৰ প্ৰত্যেক ৰাস মঞ্চক পৰ্যটন



বিভাগৰ দ্বাৰা অতিৰিক্তভাৱে পঞ্চাশ হাজাৰ টকাকৈ দিয়া হৈছে বুলি জয়ন্ত মল্লবৰুৱাই উল্লেখ কৰে। তেওঁ আৰু কয় যে অসমৰ বিভিন্ন প্ৰান্তত এই উৎসৱ উলহ-মালহেৰে উদযাপিত হয় যদিও মাজুলীৰ ৰাসৰ এক স্বকীয় বৈশিষ্ট্য আছে। মাজুলীৰ ৰাস মহোৎসৱ প্ৰদূষণ মুক্ত, মদ মুক্ত বুলি উল্লেখ কৰি পৰিৱেশৰ ওপৰত গুৰুত্ব দিবলৈ তেওঁ ৰাস সমিতিসমূহক আহ্বান জনায়। মাজুলীৰ সহকাৰী আয়ুক্ত সংগীতা বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত মাজুলীৰ ৬৫ খন ৰাস সমিতিক নিজ হাতে মন্ত্ৰী বৰুৱাই মুঠ ৭৫ হাজাৰকৈ টকাৰ আৰ্থিক অনুদানৰ চেক প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মাজুলীৰ বিধায়ক ভুৱন গামে এই পদক্ষেপৰ বাবে পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰ, মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক উপস্থিত থাকে। অনুষ্ঠানটোত মাজুলীৰ প্ৰতিখন ৰাস সমিতিৰ বিষয়ববীয়াৰ লগতে সংশ্লিষ্ট বিভাগ তথা জিলা প্ৰশাসনৰ বিষয়া বৰ্গ উপস্থিত থাকে।

# খেল মহাৰণ, দৰঙৰ ৭৬টা ক্লাবক ক্ৰীড়া সামগ্ৰী প্ৰদান

**ই-সংবাদ, খাৰুপেটীয়া, ১৩ নৱেম্বৰঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত কাইলৈ ১৪নৱেম্বৰৰ পৰা ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া সমাৰোহ খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ গাঁও পঞ্চায়ত পৰ্যায়ৰ প্ৰতিযোগিতাৰ শুভাৰম্ভণি উপলক্ষে দৰং জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ে দৰঙৰ তিনিটা বিধানসভা সমষ্টিৰ ৭৩ খন গাঁও পঞ্চায়ত আৰু ৩খন ইউ এল বিত ক্ৰীড়া সামগ্ৰী বিতৰণ কৰে। এইবাৰ মঙলদৈ, ছিপাঝাৰ আৰু দলগাঁও সমষ্টিৰ সক্ৰিয় ক্লাব আৰু সন্থাক ৭৬টা ক্লাবক ফুটবল ২টা, ফুটবল নেট দুখন, কৰ্ণাৰ ফ্লেগ ৪খন আৰু ১০খনকৈ দবা খেলৰ ব'ৰ্ড প্ৰদান কৰিছে। জিলাখনত ইতিমধ্যে ১ লাখ ৭২হাজাৰ খেলুৱৈয়ে নাম পঞ্জীয়ন কৰিছে। খেল মহাৰণত ক্ৰীড়ানুৰাগী সকলোৰে সহযোগিতা কামনা কৰিছে জিলা আয়ুক্ত তথা খেল মহাৰণ জিলা আয়োজক কমিটীৰ চেয়াৰমেন পৰাগ কুমাৰ কাকতি, অতিৰিক্ত আয়ুক্ত (ক্ৰীড়া) গৌৰী প্ৰিয়া আৰু জিলা ক্ৰীড়া বিষয়া বিষ্ণুজ্যোতি কলিতাই।

# থৈকাৰাকুছিৰ শ্বহীদ সুমন স্বৰ্গীয়াৰীৰ মৃত্যু তিথি পালন

**ই-সংবাদ, বৰমা, ১৩ নৱেম্বৰঃ** আজি শ্বহীদ সুমন স্বৰ্গীয়াৰীৰ তৃতীয় বাৰ্ষিক মৃত্যু তিথি। ২০২১ বৰ্ষৰ আজিৰ দিনটোতেই বৰমাৰ থৈকাৰাকুছিৰ এই ঘৰখনৰ সন্তান সুমন স্বৰ্গীয়াৰীয়ে উগ্ৰপন্থীৰ গুলীত শ্বহীদ হৈছিল। এই ঘটনাই জোকাৰি গৈছিল সমগ্ৰ অঞ্চল। গাঁওখনৰ সুঠাম ডেকা এজনক হেৰুৱাই শোকত ম্ৰিয়মান হৈ পৰিছিল অঞ্চলবাসী। বৰমাৰ এখন অতি ভিতৰুৱা গাঁও থৈকাৰাকুছিৰ বাট-পথৰ অৱস্থা আছিল অতিকৈ পিছপৰা। আজি তৃতীয় বাৰ্ষিক মৃত্যুবাৰ্ষিকীৰ দিনা বৰমাৰ বিধায়ক ভুপেন বড়োৱে আনুষ্ঠানিকভাৱে এখন তোৰণ মুকলি কৰে। ২০২১ চনৰ ১৩ নৱেম্বৰত দেশৰ হকে মণিপুৰত প্ৰাণ হেৰুৱাইছিল শ্বহীদ সুমন স্বৰ্গীয়াৰীয়ে। শ্বহীদগৰাকীৰ বাসগৃহত আজি উপস্থিত হৈ বিধায়ক ভুপেন বড়োৱে শ্বহীদগৰাকীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰাৰ লগতে তেওঁৰ নামত এখন তোৰণ মুকলি কৰে। উক্ত অনুষ্ঠানত থৈকাৰাকুছিৰ অঞ্চলৰ একাধিক ৰাইজ উপস্থিত থাকে।



দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তৃতীয় এদিনীয়াত জয়ৰ পিছত ভাৰতীয় খেলুৱৈৰ উল্লাস

## বেৰিৱাল, কেষাণৰ হাতলৈ বাগিচাৰ মালিকীস্বত্ব

# খোবাং চাহ বাগিচাৰ সমস্যাকলৈ ত্ৰিপাক্ষিক বৈঠক

**ই-সংবাদ, ডুমডুমা, ১৩ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ সমীপৱৰ্তী তালাপৰ খোবাং চাহ বাগিচাখন বহুজাতিক চাহ কোম্পানী Apeejay ৰ অধীনস্থ আছিল যদিও লোকচানৰ দোহাই দি ২০২৩ বৰ্ষৰ নৱেম্বৰ মাহত ডিব্ৰুগড়ৰ জনৈক বেৰিৱাল নামৰ পুঁজিপতিজনক বাগিচাখন বিক্ৰী কৰাৰ পাছৰে পৰা নতুন গৰাকীজনে কেতবোৰ নতুন নীতি-নিয়ম প্ৰয়োগ কৰিবলৈ ধৰাত বাগিচাৰ শ্ৰমিক কৰ্মচাৰী সকল ক্ৰমাৎ ক্ষুব্ধ হৈ পৰে। এই সন্দৰ্ভত প্ৰাপ্ত অভিযোগ অনুসৰি বাগিচাখনত দীৰ্ঘদিন ধৰি অস্থায়ী ভিত্তিত কাম কৰি অহা শ্ৰমিকসকলক বঞ্চিত কৰি বাগিচাৰ নতুন মালিকে বাহিৰৰ পৰা মানুহ আনি বাগিচাৰ কাম-কাজ চলাবলৈ ধৰা কাৰ্যত স্থানীয় 'আটছা' ক্ষুব্ধ হৈ পৰে। লগতে নতুন মালিকে মহিলা শ্ৰমিকসকলকো কামত কিঞ্চিত মানো সকাহ নিদি কামৰ বোজা বঢ়াই তোলে। নতুন মালিক গৰাকীয়ে স্বেচ্ছাচাৰিতাৰে শ্ৰমিকসকলক প্ৰায় এটা বছৰে হাৰাশাস্তিৰে বাগিচাখন চলোৱা বুলি অভিযোগ তুলি জিলা শ্ৰম আয়ুক্তক ইয়াৰ এটা উচিত বিচাৰ কৰিবলৈ আটছাৰ খোবাং-গাখীৰভেঁটি উপ-শাখাই এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। উক্ত স্মাৰকপত্ৰৰ পৰিপ্ৰেক্ষিততেই কালি তিনিচুকীয়া জিলাৰ শ্ৰম আয়ুক্ত কাৰ্য্যালয় প্ৰেক্ষাগৃহত সহ: শ্ৰম আয়ুক্ত, আটছাৰ প্ৰতিনিধিৰ সৈতে বাগিচাখনৰ স্বত্বাধিকাৰী বেৰিৱালৰ লগতে আন এজন অংশীদাৰ জনৈক কেষানৰ মাজত এক ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। বৈঠকত আটছাৰ দলটোৰ হৈ কেন্দ্ৰীয় সমিতিৰ ক্ৰীড়া সম্পাদক অমিত কৰ্মকাৰ, তালাপ শাখাৰ সুৱেন্দ্ৰ খদাল, কুলদ্বীপ বাক্তি, সঞ্জু ৰাজপুত, খোবাং-গাখীৰভেঁটি উপ-শাখাৰ সভাপতি ৰবি তাঁতী, সম্পাদক বিকাশ উৰাং উপস্থিত থাকে। এচিএমএছৰ হৈ লিনুছ এক্কাই অংশগ্ৰহণ কৰে। বাগিচাৰ মালিক পক্ষৰ হৈ জয়প্ৰকাশ বেৰিৱাল, দিভাংশ কেষাণ, বাগিচাখনৰ পৰিচালক, কল্যাণ বিষয়া আৰু চৰকাৰী পক্ষৰ হৈ তিনিচুকীয়া জিলাৰ শ্ৰম বিষয়া তথা সহ: শ্ৰম আয়ুক্তগৰাকী উপস্থিত থকা আলোচনাত বাগিচাখনত শ্ৰমিকসকলে ভুগি থকা বিভিন্ন সমস্যাৰ বিষয়ে বিশদভাৱে আলোচনা হয়। উক্ত ত্ৰিপাক্ষিক আলোচনাৰ অন্তত খোবাং বাগিচাৰ চিকিৎসালয়ৰ সেৱা উন্নত কৰি তোলা, বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিয়োগ কৰা, শ্ৰমিকে ভোগ দখল কৰি থকা মাটিসমূহ শ্ৰমিকসকলক ভোগ কৰিবলৈ দিয়া, দৈনিক পাৰিশ্ৰমিক লাভ কৰা বাগিচাৰ শিক্ষকসকলৰ পদসমূহ স্থায়ী কৰি তোলা, বাগিচাৰ শ্ৰমিকসকলৰ বাবে বাগিচাত পৰ্যাপ্ত জিৰণি চ'ৰা নিৰ্মাণ কৰা, বাগিচাৰ শ্ৰমিক সংঘসমূহ আধুনিক ৰূপত গঢ়ি তোলা, বাগিচাৰ শ্ৰমিকৰ বাসগৃহ, অনাময় ব্যৱস্থা উন্নত কৰি তোলাকে ধৰি বাগিচাখনত বোনাচ কেন্দ্ৰিক সংঘাতৰ পৰিণতিত প্ৰাণ হেৰুৱা পাঁচজন শ্ৰমিকৰ স্মৃতিত শ্বহীদ বেদী গঢ়ি তোলা আৰু দীৰ্ঘদিনে অস্থায়ী ৰূপে কাম কৰি অহা শিক্ষিত যুৱকসকলৰ চাকৰি সমূহ স্থায়ী কৰি তোলাৰ সন্দৰ্ভত প্ৰায় দহটা চুক্তি সম্পাদিত হ'য় যদিও উক্ত চুক্তিসমূহ মালিকপক্ষই কেতিয়াকৈ কাৰ্যকৰী কৰি তোলে সেয়া এক লক্ষ্যণীয় বিষয় হৈ পৰিছে। উল্লেখ্য যে, এসময়ত লাভৰ মুখ দেখা বহুজাতিক কোম্পানী Apeejay-এ এখনৰ পিছত এখনকৈ বাগিচা বিক্ৰীৰে একপ্ৰকাৰ অভিলেখ গঢ়া কোম্পানীটোৱে তিনিচুকীয়া জিলাত কেৱল অস্তিত্ব ৰক্ষাৰ বাবে একমাত্ৰ তালাপ চাহ বাগিচাখনহে বাকী ৰৈছে গৈ যদিও চৰকাৰে এই সন্দৰ্ভত সম্পূৰ্ণ গা এৰা মনোভাৱহে প্ৰদৰ্শন কৰা বুলি কব পাৰি। আনহাতে, আটছাই তেওঁলোকৰ দাবী সমূহক শ্ৰম আয়ুক্তৰ কাৰ্যালয়ত আলোচনা হোৱাৰ দৰে সমাধান নকৰিলে বাগিচাখনৰ চাহ শ্ৰমিক তথা খোবাংবাসী ৰাইজ আন্দোলনৰ বাবে সাজু হৈ থকা বুলিও জানিবলৈ দিয়ে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি